# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী



২০০০ - ০১

সম্পাদক

মৃদুল শৰ্মা

## সম্পাদনা সমিতি

*সভাপতি ঃ*

অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ

*তত্বাৱধায়ক ঃ*

অধ্যাপক মুকুল কুমাৰ চহৰীয়া

*সম্পাদক ঃ*

মৃদুল শৰ্মা

*সদস্য ঃ*

অধ্যাপক মহেন্দ্ৰ কটকী

অধ্যাপক দুলেন্দ্ৰ নাথ

শৰৎ চন্দ্ৰ শৰ্মা

ৰাজু বৰুৱা

শৈলেন্দ্ৰ নাথ

বিতপী কলিতা

*বেটুপাত পৰিকল্পনা ঃ*

সম্পাদক

*ছপা ঃ*

মাল্টি গ্ৰাফিক্‌চ,
এল. এন. বি. ৰোড, মঙলদৈ।

ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰকাশিত

## কৃতজ্ঞতা স্বীকাৰ

সম্পাদনা সমিতিৰ সমূহ সদস্য, পাণ্ডুলিপি সমূহ পৰীক্ষা কৰি দিয়া বাবে মাননীয় অধ্যাপক শ্ৰীপ্ৰসন্ন কুমাৰ নাথ, অধ্যাপিকা শ্ৰীমালিনী নায়াৰ, অধ্যাপক মঃ ইমৰান হুছেইন দেৱ, যি সকলে লেখনীৰে আলোচনীখন প্ৰকাশ কৰাত সহায় কৰিলে, অলংকৰণত সহায় কৰা বাবে ৰাজু বৰুৱা আৰু ভাস্কৰ কুমাৰ নাথৰ লগতে মাল্টি গ্ৰাফিকচ্‌ৰ সমূহ কৰ্মীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদক



## অশ্ৰু-অঞ্জলি

বিগত বছৰটোত আমাৰ মাজৰ পৰা হেৰাই যোৱা জ্ঞাত-অজ্ঞাত প্ৰতিজনৰে আত্মাৰ সদ্‌গতি কামনা কৰি একাঁজলি অশ্ৰু-অঞ্জলি যাঁচিলো।

সম্পাদক

## উচৰ্গা

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি,
দৰঙী কলা-কৃষ্টি উন্নয়ন সঙ্ঘৰ
প্ৰতিষ্ঠাপক সভাপতি,
আমাৰ মহাবিদ্যালয়ৰ অন্যতম দাতা,
ছিপাঝাৰৰ দুৱাহাটী গাৱঁত জন্ম লাভ কৰা
বিশিষ্ট সমাজ কৰ্মী
স্বৰ্গীয় **অতুল চন্দ্ৰ বৰুৱা** দেৱৰ
পবিত্ৰ স্মৃতিত এই সংখ্যা
মহাবিদ্যালয় আলোচনীখনি
উচৰ্গা কৰা হ'ল।

সম্পাদক



অধ্যক্ষ শ্ৰীযুত ৰেৱণ চন্দ্ৰ নাথ

# তত্বৱধায়কৰ প্ৰশ্বাৰ

আলোচনী এখন সম্পাদনা কৰি উলিওৱাৰ আঁৰত কিমান কি ঘটনা - পৰিঘটনা থাকিব পাৰে সেইটো ভূক্তভোগীয়েহে অনুভৱ কৰিব পাৰে, তাতোকৈ মহাবিদ্যালয়-বিদ্যালয়ৰ আলোচনীবোৰ সম্পাদনা কৰি উলিৱাওঁতে সম্পাদক তথা তত্বাৱধায়ক গৰাকীয়ে কিমানখিনি কষ্ট কৰিবলগীয়া হয় সেইটো প্ৰকাশ কৰা টান। বিশেষকৈ ছাত্ৰ - ছাত্ৰীৰ মাজৰ পৰা লেখনি তোলা আৰু সেই লেখনি সমূহৰ ভাৱ-ভাষা-বানান আদিৰ সকলো দিশ চালি- জাৰি চাই তাক প্ৰকাশৰ উপযোগী কৰি তোলা কাৰ্য্যটি সচাঁকৈয়ে কষ্টকৰ। এইক্ষেত্ৰত অৱশ্যে সম্পাদক গৰাকী যথেষ্ট অভিজ্ঞ তথা সচেতন হোৱাৰ প্ৰয়োজন। কিন্তু মহাবিদ্যালয়-বিদ্যালয় আলোচনী সমহৰ সম্পাদক সকল এইক্ষেত্ৰত যথেষ্ট অজ্ঞ হোৱা হেতু গোটেই কামখিনিয়েই শেষত তত্বাৱধায়ক গৰাকীয়ে মূৰ পাতি লব লগা হয়।

এইবাৰৰ সম্পাদক শ্ৰীমান মৃদুল শৰ্মাই যথেষ্ট সংখ্যক গল্প, প্ৰবন্ধ, কবিতা আদি ছাত্ৰ- ছাত্ৰীৰ পৰা সংগ্ৰহ কৰিছিল যদিও প্ৰায়খিনি লেখনিয়েই প্ৰকাশৰ বাবে উপযোগী নাছিল। নিৰুপাই হৈ সম্পাদনা সমিতিৰ আলোচনা মৰ্মে সেইবোৰৰ মাজৰ পৰাই বাঁচি-বাঁচি কিছু লেখনি প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। বহক্ষেত্ৰত লেখনি সমূহৰ ভাবটোহে ৰক্ষা কৰি গোটেই কথাখিনিয়ে হয়তো সলনি কৰা হৈছে, নতুবা কোনো কোনো ক্ষেত্ৰত লেখকৰ গোটেই কথাখিনিৰে পৰিবৰ্তন কৰি সম্পাদনা সমিতিয়ে নতুন ধৰণে সজাব লগা হৈছে। লেখক সকলে সেইখিনি অনুভৱ কৰিব পাৰিব।

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন নিম্ন মানদণ্ড আৰু সৰু কলেবৰৰ হোৱাৰ মূলতে হ'ল- সীমিত পুঁজি; তাতোকৈয়ো আচল কথাটো হ'ল— ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা উন্নত লেখনিৰ অভাৱ। অৱশ্যে লেখনি সমূহ সুখপাঠ্য হলে সীমিত ধনৰেও এখন ভাল আলোচনী প্ৰকাশ কৰিব পৰা যায়। ছাত্ৰ-ছাত্ৰী সকলে কলম হাতত তুলি লওঁতে এনেবোৰ দিশত কিছু মন কৰাৰ দৰকাৰ যে- তেওঁ কি কব খুজিছে, তেওঁৰ লেখনিৰ বক্তব্যৰ আদৰ্শ কি, তেওঁ আচলতে বাস্তৱৰ লগত সংগতি ৰক্ষা কৰিব পাৰিছেনে নাই। দেখা যায় সেইবোৰ দিশত ছাত্ৰ - ছাত্ৰীৰ কোনো কাণসাৰ নাই তথা সজাগ নহয়। অনুমান হয় ছাত্ৰ- ছাত্ৰীয়ে নিজেই হয়তো কব নোৱাৰিব, তেওঁৰ লেখনিত তেওঁ কি কলে। সম্পাদকে বিচাৰিছে বাবে কাগজ এখনত কেইটামান শব্দ যধে-মধে লিখি জমা দিয়াতকৈ সেই শব্দ কেইটিকে কিছু সচেতন হৈ যুতিয়াই লিখাৰ অভ্যাস কৰিলে হয়তো সিয়ে সুখপাঠ্য হৈ উঠিব বুলি আমাৰ ধাৰণা হয়।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সম্পাদক মৃদুল শৰ্মাৰ তৎপৰতা আৰু সম্পাদনা সমিতিৰ বিষয় ববীয়া, বিশেষকৈ মাননীয় শ্ৰীমহেন্দ্ৰ কটকী আৰু শ্ৰীদুলেন্দ্ৰ নাথে আগবঢ়োৱা সহায়খিনি স্বীকাৰ কৰিবলগীয়া। মাল্টি গ্ৰাফিকচ্‌ৰ স্বত্বাধিকাৰ শ্ৰীদেৱজিত নাথো এইক্ষেত্ৰত শলাগৰ পাত্ৰ।

মুকুল কুমাৰ চহৰীয়া

# সম্পাদকৰ কলমত



বহুদিনৰ হেঁপাহ আছিল ছিপাঝাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনিৰ সম্পাদক হোৱাৰ। বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দিতাৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ মাপকাঠিত মই ছিপাঝাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হওঁ। এই সুবিধাতে সেইকণ সুবিধা দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী সকলক মই আন্তৰিক ধন্যবাদ জনাইছোঁ। লগতে সৰ্বতো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ বাবে মুখপত্ৰ সম্পাদনা সমিতিলৈকো কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। আজি এই মুহূৰ্তত এই কথা বাৰুকৈয়ে উপলব্ধি হৈছে যে, আলোচনী এখন সম্পাদনা কৰিবলৈ ভবাটো যিমান সহজ কাম আচলতে কাৰ্যক্ষেত্ৰত সেই কাম ৰূপায়ন কৰাটো সঁচাকৈয়ে দুৰূহ। তাৰ কাৰণ হ'ল - এফালে পুঁজি, আনফালে উন্নত মানবিশিষ্ট লেখনিৰ অভাৱ। দুখৰ বিষয় যে, প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ লেখনিয়েই অপৈনত তথা ভাব প্ৰকাশতো ব্যৰ্থ। সীমিত অধ্যয়নৰ বাবেই বোধহয় ছাত্ৰ-ছাত্ৰীসকলে লেখনি প্ৰস্তুত কৰাত সফলতা দেখুৱাব পৰা নাই।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ ঃ

কিছুদিনৰ পৰা ছি পাঝাৰ মহাবিদ্যালয়ৰ ফলাফল সমূহৰ দুৰ্ভাগ্যজনক ভাবে অৱনতি ঘটিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যদিও দ্ৰুত গতিত বৃদ্ধি পাইছে তাৰ তুলনাত তেওঁলোকক দিব লগা সা-সুবিধাবোৰ কিন্তু বৃদ্ধি পোৱা নাই। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে পৰ্য্যাপ্ত পৰিমাণৰ শ্ৰেণী কোঠা, অধ্যয়নৰ সুবিধা থকা পুথিভঁড়াল, Practical ৰ সজুঁলি, দূৰণিৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আবাস গৃহ ইত্যাদি। ইংৰাজী, অসমীয়া, (সাধাৰণ) পাঠ গ্ৰহণ কৰিবলৈ গৈ বহা ঠাইৰ অভাৱত অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই শ্ৰেণী কক্ষ ত্যাগ কৰিব লগা হয়। জিৰণি কোঠাৰ অভাৱত শ্ৰেণী কোঠাত পাঠদান চলি থকা সময়ত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বাৰাণ্ডাত বহি অনাৱশ্যক কোলাহলৰ সৃষ্টি কৰে। আটাইতকৈ ডাঙৰ কথা হৈছে ইং ১৯৭১ চনতে প্ৰতিষ্ঠিত ছিপাঝাৰ মহাবিদ্যালয়ত এতিয়াও হিন্দী, সংস্কৃত, আৰবী আদি বিষয় অন্তৰ্ভূক্ত হোৱা নাই। ইয়াৰ উপৰি বিজ্ঞান আৰু বাণিজ্য শাখা আদিৰ শিক্ষা ব্যৱস্থাও গঢ়ি উঠা নাই। সীমাহীন 'নাই' ৰ মাজত বাস কৰা ছাত্ৰ-ছাত্ৰীৰ অভাৱবোৰ কৰ্তৃপক্ষই আঁতৰাবলৈ চেষ্টা কৰিলে নিশ্চয় মহাবিদ্যালয়ত শৈক্ষিক পৰিবেশ গঢ়ি উঠিব।

উপযুক্ত ছাত্ৰ একতা সভা ঃ

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিশেষকৈ এটা বিষয়ত অধিক মনোযোগ দিয়া দৰকাৰ। তেওঁলোকে নিৰ্বাচিত কৰি পঠিওৱা ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকল সচাঁকৈ উপযুক্তনে? মহাবিদ্যালয়ৰ উন্নতি হকে বিষয় ববীয়া সকল সচাঁকৈয়ে সজাগনে? ছাত্ৰ একতা সভাবোৰে মহাবিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থৰ কথা নাভাবি পিছ হহকি থকাতো স্বভাৱত পৰিণত হৈছে। নিৰ্বাচিত প্ৰতিনিধি স্বৰূপে তেওঁ বিলাকৰ এনে কাৰ্য্য অশোভনীয়। ছাত্ৰ একতা সভাবোৰে এখন বাৰ্ষিক পৰিকল্পনা তৈয়াৰ কৰি সততা আৰু নিষ্ঠাৰে ছাত্ৰ-ছাত্ৰী সকলৰ সমস্যা সমূহ কৰ্তৃপক্ষৰ সতে আলোচনা কৰি পাৰ্যমানে সমাধা কৰাৰ প্ৰয়াস কৰিলে ছাত্ৰ

একতা সভা ব্যৰ্থ হোৱাৰ কাৰণ নাথাকে।

শৈক্ষিক পৰিবেশ ঃ

দেশখনৰ সৰ্বগ্ৰাহী অসততাৰ মাজত শিল্পী সাহিত্যিকৰ ক্ষেত্ৰতো ব্যৱসায়ীকতা আৰু সমাজৰ দায়বদ্ধহীনতাৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। সাম্প্ৰতিক অসম তথা পৃথিৱীৰ ক্ৰমবিস্তৃত অমানবীয় পৰিস্থিতিত সৰ্বসাধাৰণৰ সমস্যাৰাজি আৰু সেইবোৰৰ পৰা মুক্তিৰ পথ নিদৰ্শনাত শিক্ষিত বুদ্ধিজীৱি সকলে মনোনিবেশ কৰাৰ প্ৰয়োজন আহি পৰিছে। কাৰণ ৰাজনৈতিক নেতা সকলে ব্যক্তি স্বাৰ্থত সমাজলৈ কদৰ্য্যতা নমাই আনিলেও শিল্পী সাহিত্যিক, বুদ্ধিজীৱি সকলে সমাজখনক সুন্দৰ আৰু নিকা কৰিবলৈ চেষ্টা কৰা প্ৰয়োজন।

মোৰ সীমিত জ্ঞানেৰে এখন অগতানুগতিক আলোচনী প্ৰকাশৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছো। অৱশ্যে মই কিমান দূৰ সফল হৈছো সেয়া আপোনালোকে বিচাৰ কৰিব। যি কি নহওঁক আলোচনীখনে প্ৰকাশ পোৱাৰ আনন্দ সকলো ছাত্ৰ-ছাত্ৰীয়ে মোৰ লগত সমানে ভাগ বতৰা কৰিলে মই কৃতাৰ্থ হম।

এইখিনিতে যি সকল শিক্ষাগুৰুৱে দিহা পৰামৰ্শ আৰু লেখনি সমূহৰ মানদণ্ড বিচাৰ কৰি দি আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সহায় আগবঢ়ালে তেখেত সকললৈ সশ্ৰদ্ধ কৃতজ্ঞতা যাঁচিলো। তেখেত সকল হৈছে- তত্বাৱধায়ক শ্ৰীযুত মুকুল কুমাৰ চহৰীয়া, শ্ৰীযুত প্ৰসন্ন নাথ, শ্ৰীযুতা মালিনি নায়াৰ, মঃ ইমৰান হুছেইন, ড° ৰাম চন্দ্ৰ ডেকা, শ্ৰীযুত মহেন্দ্ৰ কটকী আৰু যি সকল লেখক লেখিকাৰ দৈপণত লেখনিৰে আলোচনীখন প্ৰকাশত সহায় আগবঢ়ালে তেওঁলোকৰো শলাগ লৈছোঁ।

ইয়াৰ উপৰিও যিসকল বন্ধু-বান্ধৱীয়ে মোৰ প্ৰতিটো কামত সহায় সহযোগ আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত, মোৰ কাৰ্য্যকালত হোৱা অবাঞ্ছিত ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগি, ছিপাঝাৰ মহাবিদ্যালয়ৰ চিৰ উজ্বল ভৱিষ্যত কামনা কৰি, সম্পাদকীয়ৰ মোখনি মাৰিছোঁ।

মৃদুল শৰ্মা
সম্পাদক
আলোচনী বিভাগ

# সূচীপত্ৰ


**প্ৰবন্ধ ঃ**

| | |
|---|---|
| মই আৰু মোৰ মহাবিদ্যালয় | অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ |
| আধুনিক অসমীয়া কবিতাত অভুমুকি | শৰৎ চন্দ্ৰ শৰ্মা |
| হাঁহিৰে জীৱন জুখিব বিচৰা ব্যক্তিগৰাকী | অধ্যাপিকা মোহিনী গোস্বামী |
| ৰাভাৰ প্ৰাসংগিকতা আৰু জাতীয়তাবাদী ভাৱধাৰা | অপূৰ্ব কুমাৰ নাথ |
| ময়ো অসমীয়া মহিলা | অধ্যাপিকা মালিনী নায়াৰ |
| ৰাষ্ট্ৰীয় ঐক্য আৰু শিক্ষা | ববিতা ৰাণী ভূঞা |
| অৰুণাচল প্ৰদেশৰ শিক্ষাৰ অগ্ৰগতি, এটি পৰ্য্যালোচনা | অধ্যাপক চন্দ্ৰ চৌধুৰী |
| অনুশাসনহীনতা ঃ সমাদৰ ব্যাধি | হেমেন হাজৰিকা |

**গল্প ঃ**

| | |
|---|---|
| প্ৰতাৰণা | অধ্যাপক দুলেন্দ্ৰ নাথ |
| প্ৰত্যাবৰ্ত্তণৰ পিছত | অভিজিৎ হাজৰিকা |
| সেই ছোৱালীজনী | প্ৰফুল্ল ডেকা |
| অশ্ৰু অঞ্জলি | মালবিকা দেৱী |
| জুয়ে পোৰা বাস্তৱ | ভাস্কৰ চহৰীয়া |
| আহ্বান | দীপামনি শৰ্মা |
| অপেক্ষা | এম্ ইফটিকাৰ হুছেইন |
| সন্ধান | ভাৰ্গব হাজৰিকা |
| নিশাৰ স্মৃতি | জয়ন্ত শইকীয়া |
| নীড়হাড়া জীৱন বিচাৰি | কবিতা চহৰীয়া |

**কবিতা ঃ**

| | |
|---|---|
| স্বাগতম | জিতেন বৰুৱা |
| বীৰ জোৱান | পৰেশ ভূঞা |
| মোক এতিয়া লাগে মৃত্যু | বিতপী কলিতা |
| মানুহৰ কবিতা | কৰুণা শৰ্মা |
| বৈ আছো মই | মুণিন্দ্ৰ শৰ্মা |
| তুমি | মিৰা বেগম |
| স্মৃতি | অধ্যাপক ইমৰাণ হুছেইন |
| অনুভৱ | ৰাজু বৰুৱা |
| শান্তি | শৈলেন্দ্ৰ শৰ্মা |
| স্তীমিত আলোক | জ্যোতিষ কুমাৰ নাথ |

| | |
|---|---|
| তুমি | ধৰিত্ৰী দেৱী |
| পখী | মুন মুন শইকীয়া |
| অতীত | দিগন্ত শৰ্মা |
| সঁহাৰি | কনিকা কোৱঁৰ |
| মানৱ জীৱন | নিবেদিতা ডেকা |
| চিনাকী চৰাইৰ গীত | যুগল কিশোৰ বৰা |
| বিৰহীনি নৈ | বীনা বৰা |
| সন্তান | দয়াৰাম বৰা |
| স্মৃতিৰ বিষাক্ত সাপডাল | অৰ্চনা দেৱী |
| মাথো এধানিমান মৰমৰ আশাত | দ্বীপেন বৰুৱা |
| পৰিবৰ্ত্তন | অনিতা চহৰীয়া |
| হেঙুলী আভা | ভূপালী শৰ্মা |
| পলাশ ফুলাৰ যান্ত্ৰনা | দানেশ্বৰ নাথ |
| সপোন | গৌতম কুমাৰ বৰুৱা |
| বৰ্ষাৰ এটি সন্ধিয়া | ৰানু প্ৰভা নাথ |
| সপোন সৰগ | ৰসময়ী গোস্বামী |
| সময়ৰ বোকোচাত নীৰৱতা বিচাৰি | প্ৰাঞ্জলজ্যোতি নাথ |
| উলাহৰ পাহি | দীপক কুমাৰ নাথ |
| নাচাবা তেনেকৈ | বিনীতা নাথ |

**English Section :**

**Article :**

| | |
|---|---|
| Ashoka in present day's context | Lect. Jayanta Kr. Hazarika. |
| Pages from scout's diary | Dhrubajyoti Hazarika. |
| Melody of life | Debabrata Bordolai. |
| Insurgency problem of the North- East | Lect. Kanak Ch. Deka. |
| Value Education : Need of present generation | Dipanwita Saharia. |
| Kant's synthetic a priori jugdement | Lect. Chakrapani Bora. |

**Poem**

| | |
|---|---|
| TEACHING OF TIME | Lect. Dwijendra Talukdar |
| The Mellowing Death | Ratna Deka |
| Feelings of Love | Jitumoni Sarma |
| Deep in My heart | Rimjim Begum |
| Definition of Love | Mamtaz Khana |

**বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন**

**সম্পাদকলৈ চিঠি**

**মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল**




# মই আৰু মোৰ মহাবিদ্যালয়


ৰেৱণ চন্দ্ৰ নাথ
অধ্যক্ষ


মহাবিদ্যালয়ৰ লেখিয়া একোটি মহৎ অনুষ্ঠানৰ প্ৰতিষ্ঠাৰ গুৰিতে সৰ্বপ্ৰথমে থাকে কেইগৰাকীমান মুষ্টিমেয় সমাজপ্ৰাণ ব্যক্তিৰ চিন্তা চৰ্চা, পৰিকল্পনা আৰু ত্যাগ স্বীকাৰ। তাত সময়ৰ হাত উজান দি ওলাই আহে সমাজ আৰু শিক্ষাপ্ৰেমী ৰাইজ। প্ৰকৃতপক্ষে এনে মহৎ কামত প্ৰত্যক্ষ ভাবে জড়িত কৰ্মী সকলৰ সততা, দক্ষতা আৰু আস্থাশীলতাই সাৰ পানী হৈ বট-বৃক্ষ ৰূপী অনুষ্ঠানটিক দিয়ে গতিশীলতা আৰু সাৱলীল স্থিতি। যুগ-যুগান্তৰ ধৰি উচ্চ শিক্ষাৰ গোন্ধ নথকা দৰঙৰ পশ্চিমাঞ্চলৰ একমাত্ৰ অনুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয় খনিৰ জীৱন বুৰঞ্জীৰ অনেক কথা ১৯৯৬ চনত উদ্‌যাপিত ৰূপালী জয়ন্তীৰ স্মৃতি গ্ৰন্থ আৰু মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰাদিত প্ৰকাশ পাই গৈছে যদিও এতিয়াও অনেক কথা আদৰ বিহীন ভাবে ৰৈ আছে। হয়তো অনেক সঁচা কথাই অনুষ্ঠানটিৰ স্বাৰ্থৰ খাটিৰত বৰ্তমান প্ৰকাশ কৰাৰ পৰা বিৰত ৰাখিব লগীয়া হৈছে; যিবোৰ এদিন সংগোপনে কালৰ গৰ্ভত বিলীন হৈ যাব। এই প্ৰবন্ধত তাৰে কিছুমান 'এৰা বোটলাৰ' প্ৰয়াস কৰা হ'ল যদিও প্ৰধানকৈ মহাবিদ্যালয় খনিৰ প্ৰতিষ্ঠাত আমি কিদৰে জড়িত হৈ নানা ঘাত প্ৰতিঘাত গছকি বৰ্তমানলৈকে সেৱা অব্যাহত ৰাখিছো তাৰেই সংক্ষেপ বৰ্ণনা লিপিবদ্ধ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

১৯৬৫ চন। জীৱনৰ প্ৰথম ইন্টাৰভিউত অৱতীৰ্ণ হওঁ সমবায় বিভাগৰ সহকাৰী বিষয়া পদৰ বাবে। ভাগ্যত চাকৰিও মিলিল। কিন্তু পিতৃ-মাতৃৰ অনিচ্ছা এই চাকৰিত মই যোগদান কৰিব নালাগে। লাগিলে ভেন্সাৰ স্কুল হ'লেও পকাদলি হাই স্কুলতে শিক্ষকতা কৰি থাকিব লাগে। কি কৰো, কি নকৰো, মোৰ উগুল- থুগুল অৱস্থা। পিতৃৰ নিৰ্দেশ মানি পৰামৰ্শৰ বাবে ছিপাঝাৰ অঞ্চলৰ বৰেণ্য ব্যক্তি দাদা কেশৱ চন্দ্ৰ ভূঞাদেৱৰ ওচৰ চাপিলোঁ। তেখেতে কিয় জানো মোক নিৰ্দেশ দি কলে-"এই চাকৰি তোৰ বাবে নহয়। তই এম. এ পঢ়ি আহ, ছিপাঝাৰত কলেজ পাতিব লাগিব।" দূৰদৃষ্টি সম্পন্ন এই মহানুভৱ পুৰুষ গৰাকীৰ স্পষ্ট উক্তিটি মোৰ বাবে যেন আশীৰ্বাদ হ'ল। চৰকাৰী চাকৰিত ভৰ্ত্তি নহৈ পকাদলি হাই স্কুল কৰ্তৃপক্ষৰ অনুমতি লাভ কৰি ১৯৬৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম. এ. ডিগ্ৰী লাভ কৰিলোঁ। ইতিমধ্যে ১৯৬৭ চনৰে পৰা মহাবিদ্যালয় সংস্থাপনত প্ৰস্তুতি আৰম্ভ হৈ গৈছিল। মইও প্ৰতিষ্ঠানৰ কামত – আত্মনিয়োগ কৰিলোঁ।

তেতিয়াৰে পৰা মহাবিদ্যালয় খনিৰ প্ৰতিষ্ঠাত বিভিন্ন কামত নিজকে কিদৰে জড়িত কৰি আহিলো সেই স্মৃতি আজিও আমাৰ মানস পটত মধুৰ হৈ জিলিকি আছে। এটি ক্ষুদ্ৰ প্ৰবন্ধত সকলো কথা লিপিবদ্ধ কৰা কোনোমতেই সম্ভৱ নহয়। সেয়ে প্ৰতিষ্ঠা কালৰ কিছু টুকুৰা খবৰ ডাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

ছিপাঝাৰ মহাবিদ্যালয়ৰ শ্ৰেণী সমূহ আৰম্ভ কৰাৰ প্ৰাক্ কালছোৱাত অৰ্থাৎ ১৯৬৯ আৰু ১৯৭০ এই দুটি বছৰ বিশ্ববিদ্যালয়ৰ শ্ৰেণী খোলাৰ বাবে অনুমতি বিচৰা, পুঁজি সংগ্ৰাহাৰ্থে ১৯৭০ চনৰ আগষ্ট মাহত লটাৰীখেল অনুষ্ঠিত কৰা, পৰিকল্পনা যোগে গাৱেঁ-ভূঞে দিনে নিশাই ধন বিচাৰি ফুৰা, কথাছবি প্ৰদৰ্শন কৰা আদি কামত আত্মনিয়োগ কৰা হয়। এই কালছোৱাত ভবিষ্যতৰ ৰঙীণ স্বপ্ন বুকুত বান্ধি সততে মূল বিষয়ববীয়া সকলৰ বিশেষকৈ মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী ৰূপায়নৰ গুৰিয়াল শ্ৰীভদ্ৰেশ্বৰ নাথৰ লাচনি-পাচনিৰ কাম কৰি লাভ কৰিছিলো বিমল আনন্দ।

প্ৰথমে কব লাগিব ১৯৭১ চনৰ ১৬ আগষ্টৰ দিনটি মহাবিদ্যালয়ৰ জীৱন বুৰঞ্জীৰ অতিকে স্মৰণীয় দিন। সেইদিনা সন্ধিয়া ছয় বজাত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় কাৰ্যালয়ৰ নিকটস্থ পশ্চিম ফালৰ শ্ৰেণী কোঠাটিত শুভাৰম্ভ কৰা হয় প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ প্ৰথম পাঠদান কাৰ্য। প্ৰতিষ্ঠাৰ একনিষ্ঠ কৰ্মী শ্ৰীভাস্কৰ তালুকদাৰদেৱে যোগান ধৰা এটি লেম্পৰ পোহৰত দুগৰাকী ছাত্ৰৰে প্ৰথমে পাঠদান কৰা সেই সৌভাগ্যৰ কথা মোৰ মানস পটত আমৰণ স্মৰণীয় হৈ ৰব। উল্লেখ কৰিব লাগিব শ্ৰীতালুকদাৰ আৰু শ্ৰীতনুৰাম বৰুৱাদেৱে শ্ৰেণীসমূহ পৰিচালনাৰ প্ৰাথমিক প্ৰস্তুতিৰ কামত আত্মনিয়োগ কৰিছিল।

সেই সময়ত মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সংগ্ৰহ আছিল এটি প্ৰধান কাম। আমি আটাইখিনি কৰ্মীয়ে এই ক্ষেত্ৰত সক্ৰিয় হৈ পৰিছিলো। এইটো সকলোৰে জ্ঞাত যে নব প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানত নানা কাৰণত নতুন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তি কৰিবলৈ টান পায়। আমাৰো সেয়ে হৈছিল। সেয়ে এওঁলোকৰ বাহিৰেও প্ৰবেশিকা পৰীক্ষা উত্তীৰ্ণ হৈ বহি থকা দোকানী-পোহাৰী, শিক্ষক-কৰ্মচাৰী আদি লোকৰো নাম ভৰ্ত্তি কৰাইছিলো; লাগিলে বয়স যিয়েই নহওক। ছাত্ৰ-ছাত্ৰী বিচাৰি দিনে নিশাই গাৱেঁ গাৱেঁ ঘূৰি ফুৰা অবৰ্ণনীয় দুখ কষ্টৰ ছবিবোৰ আজিও স্পষ্ট হৈ আছে। এই ক্ষেত্ৰত লাভ কৰিছিলো আনন্দ আৰু বিৰক্তি মিশ্ৰিত বহুত অভিজ্ঞতা। উদাহৰণ স্বৰূপে পশ্চিম চুবুৰী গাওঁৰ এখন ঘৰলৈ আমি শ্ৰদ্ধেয় শ্ৰীভদ্ৰেশ্বৰ নাথ, সেই সময়ৰ মহাবিদ্যালয়ৰ সকলো কামৰ মোৰ প্ৰধান লগৰী শ্ৰীপ্ৰফুল্ল চহৰীয়া চাৰিদিন ধৰি গৈছিলো দুগৰাকী ছাত্ৰীৰ বাবে। অভিভাৱকৰ চৰ্ত্ত আছিল- মাচুল দিব নোৱাৰে, কিতাপ আমি দিব লাগিব আৰু অনেক.......। দুয়ো গৰাকীৰ ভৰ্ত্তি মাচুল দহ টকাকৈ বিশ টকা দি আমিয়েই নামভৰ্ত্তি কৰাই দিলো। তেওঁলোকৰ কিন্তু ভাগ্যোদয় হ'ল- বি. এ. পাচ কৰি বৰ্ত্তমান এগৰাকীয়ে চাকৰিৰে জীৱিকা উলিয়াই আছে। এনে উদাহৰণ আৰু অনেক আছে।

হাইস্কুলৰ চাকৰিৰ পৰা বাহিৰে বাহিৰে গৈ ক্লাচ পৰিচালনা আৰু পাঠদান কৰা, ছাত্ৰ-ছাত্ৰী আৰু ধন সংগ্ৰহ কৰি গাৱেঁ গাৱেঁ ঘূৰি ফুৰা অতি কষ্টকৰ হলেও এই ক্ষেত্ৰত মই হয়তো উৎসাহজনিত কাৰণত পিছ পৰা নাছিলো কোনোদিনে। ধন সংগ্ৰত ঘূৰি ফুৰোতে মোৰ শিক্ষাগুৰু মাননীয় শ্ৰীভূচন্দ্ৰ বৰুৱাই এদিন কৈছিল 'অই তই খালি পেটে নাথাকিবি। অন্তত কিবা-কিবি খাই লবি। নহ'লে এই বয়সতে গেষ্টিক হৈ যাব।' চাৰৰ এই সাৱধান বাণী আজিও মোৰ মনবীণত বাজি আছে।

এই প্ৰসঙ্গতে দুদিনৰ দুটি ভয়াৰ্ত্ত মুহূৰ্তৰ কথা বিস্মৃতিয়ে ঢাকিব পৰা নাই। শীত কালীন এটি নিশা। ধন সংগ্ৰহৰ পৰা নিশা দহ বজাত ঘৰলৈ (স'লপাম গাওঁ) উভতিছোঁ। ঘাটুৱৈ দাদাই ন বজাতেই ঘৰলৈ গৈছে। কেইবাবাৰো মাতি মাত নাপাই কিছু সময় কিংকৰ্ত্তব্যবিমোৰ হৈ ৰৈ গলো। অগত্যা সাহস গোটাই অন্তবাসেৰে সাতুৰি পাৰ হৈ গৈ নাওখন লৈ আহি চাইকেল বোজাই কৰি পাৰ হৈ গ'লো। তীব্ৰ ঠাণ্ডাত উঠা গাৰ কঁপনিৰেই ঘৰ পালোগৈ। সেই দিনা আই-পিতাৰ গালি খাইছিলো। সৰুকালি- ননাইনৈত সাতুৰি-নাদুৰি ৰং ধেমালি কৰাৰ অভ্যাসৰ বাবেই যেন এই বিপদৰ পৰা ৰক্ষা পৰিলো।

আন এদিন ন বজাতেই নৈ পাৰ হ'লো। এন্ধাৰ নিশা তাতে বতৰ খুব বেয়া। ঘাটুৱৈ দাদা (শ্ৰীৰত্নেশ্বৰ ডেকা - গাওঁবুঢ়া) ই কলে— 'ঢেৰেকনি আৰু খাৰজিলিকনি মাৰি আছে। বৰষুণ আহিবই। তই বেগা-বেগিকৈ যা। মই তোৰ বাবেহে ৰৈ আছো।' সঁচাকৈয়ে মথাউৰিৰে অলপ দূৰ যোৱাৰ লগে লগেই ধুমুহা বৰষুণ একেলগে নামি আহিল। তেনেদৰেই তিতি বুৰি গাওঁৰ মাজ পাইছো মাত্ৰ; এটি ভীষণ গৰ্জ্জনেৰে মৰা ঢেৰেকনিৰ লগে লগে মোৰ সন্মুখত বজ্ৰপাতৰ জুইয়ে দুচকু চানি ধৰিলে আৰু মই চাইকেল সহ বাগৰি গ'লো। ত্ৰাসযুক্ত ভাবে উঠি দৌৰাৰ দৰে ঘৰলৈ গৈ



দেখো মোৰ ভৰিত চাইকেলে কাটিছে। ভৰিৰ বিষত প্ৰায় দুদিন পৰি থাকিলোঁ।

মহাবিদ্যালয়ৰ পুঁজি সংগ্ৰহাৰ্থে জিলাখনৰ ভিতৰ আৰু বাহিৰৰ শিক্ষাপ্ৰেমী ৰাইজৰ ওচৰলৈ যোৱাৰ বাহিৰেও বিভিন্ন সময় আৰু বৰ্যত লটাৰী আৰু উপহাৰ কুপন খেল অনুষ্ঠিত কৰা, থিয়েটাৰ আৰু চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা, পুৰুষ-মহিলা উভয়ৰে প্ৰদৰ্শনী মূলক ফুটবল খেল অনুষ্ঠিত কৰা, ধান সংগ্ৰহ কৰা আদি আচঁনি ৰূপায়ন কৰা হৈছিল। ১৯৭০ চনত লটাৰী আৰু উপহাৰ কুপন খেলৰ ব্যৱস্থা কৰা হয়। ১৯৮৪ চনৰ উপহাৰ কুপন খেলৰ সম্পাদক হিচাপে আমি পৰিচালনা কৰিব লগীয়া হয় আৰু তাৰ পৰা লাভ কৰা প্ৰায় পঞ্চাশ হাজাৰ টকাৰে মহাবিদ্যালয়ৰ পূব দিশৰ ভৱনত দুটা কোঠা নিৰ্মাণ কৰা হয়। ১৯৭৫ চনৰ পৰা একেৰাহে প্ৰায় কেইবা বছৰো জুৰি মকুন্দ, মঞ্চকোঁৱৰ, ৰাধিকাদেৱী, নটৰাজ, সুৰদেৱী আদি থিয়েটাৰ পৰিবেশন কৰি তাৰ পৰা পোৱা লাভাংশৰে শিক্ষক কৰ্মচাৰীৰ বেতন দিয়া হয়। প্ৰায় কেইখন থিয়েটাৰ পৰিচালনা সমিতিৰ সম্পাদক হিচাবে আমি দায়িত্ব বহন কৰিব লগীয়া হয়। যিহেতুকে অধিকাংশ থিয়েটাৰে ছিপাঝাৰ একাডেমীৰ খেলপথাৰতেই অনুষ্ঠিত হৈছিল, সেয়ে মোৰ ভাড়া ঘৰটি সম্পূৰ্ণ কাৰ্যালয়ৰ লেখিয়াকৈ ব্যৱহৃত হৈছিল। সেই দিনবোৰৰ মধুৰ স্মৃতি যিদৰে মনলৈ আহে, অবৰ্ণনীয় দুখ-কষ্ট আৰু মোৰ পৰিয়ালটিৰ- নিৰাপত্তাহীন ভয়াবহতাৰ কথা ভাবিলে আজিও গাৰ নোম শিয়ৰি উঠে। থিয়েটাৰ সন্দৰ্ভত সৰু সৰু অনেক কাহিনীয়েই আছে। বন্ধুবৰ প্ৰফুল্ল চহৰীয়া আৰু মই থিয়েটাৰ, ফুটবলৰ টিম আদি আমন্ত্ৰণ কৰা সন্দৰ্ভত কেতিয়াবা স্কুটাৰ, কেতিয়াবা গাড়ীত অনেক ঠাইলৈ গৈছিলো। এবাৰ ৰাধিকাদেৱী থিয়েটাৰ বন্দৱস্ত কৰি উভতি অহাৰ পথত স্কুটাৰ বেয়া হৈ প্ৰায় তিনি কিলোমিটাৰ পথ পদ ব্ৰজে আহি বৰ কষ্ট অনুভৱ কৰিবলগীয়া হৈছিল। সেই এন্ধাৰ নিশা স্কুটাৰ ভাল কৰি আহোতে নিশা বাৰ বাজি গৈছিল।

১৯৭২ চনৰ জানুৱাৰী মাহ। পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক হিচাপে মোৰ ওপৰত ন্যস্ত কৰে গৰু খুটি অঞ্চলত বিশেষকৈ ৰাজাপুখুৰী আৰু শানোৱা গাওঁত ধন সংগ্ৰহৰ দায়িত্ব। ৰাজাপুখুৰীৰ পৰীক্ষিত নাথৰ ঘৰত আমি বাহৰ পাতিলো। নাথ আৰু শানোৱাৰ মঃ আফাজুদ্দিন আহমেদ দেৱে আমাক প্ৰত্যেক ঘৰ মানুহৰ ওচৰলৈ লৈ গ'ল ধান খোজাৰ বাবে। এদিন সন্ধিয়া ধানৰ প্ৰতিশ্ৰুতি লৈ আমি খোজ পেলাইছিলো এঘৰৰ চোতালেৰে। এনেতে আমাক মাত লগালে এগৰাকী আদহীয়া বয়সৰ মাতৃয়ে- 'বাপাহঁত আমাৰ ঘৰৰ পৰা নেনিয়া নেকি? বিধবা হ'লেও কলেজৰ বাবে খুজি অনা ধানৰ পৰা মইও একখকুৰি দিম দে।' আমি আটাইয়ে স্তব্ধ হৈ গ'লো। কি যে এক বিমল আনন্দ আৰু অনুপ্ৰেৰণাত আমি অভিভূত হৈ পৰিলো। খোজ কাঢ়ি দিনে নিশাই ঘূৰি ফুৰা আমাৰ দুখ ভাগৰ যেন মুহূৰ্ত্ততে নোহোৱা হৈ গ'ল। এই অভিযানত মহাবিদ্যালয়ৰ তৰফৰ পৰা প্ৰধানকৈ স্বৰ্গীয় পূৰ্ণৰাম বৰুৱা, শ্ৰীতনুৰাম বৰুৱা আৰু এদিন শ্ৰীশীতেশ্বৰ কলিতা আৰু স্বৰ্গীয় ফুকন চন্দ্ৰ কলিতা দেৱেও সহযোগিতা আগবঢ়ায়। ধানৰ পৰা লাভ কৰা ধনেৰে শিক্ষক কৰ্মচাৰী সকলৰ বেতন দিয়া হয়।

১৯৭৭ চনত মঙলদৈ মহকুমা পৰিষদে মহাবিদ্যালয় খনিলৈ আগবঢ়ায় আত্ম সাহায্যমূলক এটি কামৰ আচঁনি। এই মৰ্ম্মে পশ্চিমচুবা-গোপালপুৰ ৰাস্তা নিৰ্মাণ কৰি লাভ কৰা হয় তিনি হাজাৰ টকা। উক্ত ধনেৰে মহাবিদ্যালয়ৰ ঘৰ এটি খেৰৰ ছাল গুছাই টিনপাত লগোৱা হয়। প্ৰকাশ থাকে যে, অতি কম দিনৰ ভিতৰত টিন পাত নলগালে মহাবিদ্যালয়ৰ অনুমতি আৰু স্বীকৃতি বাতিল কৰা হব বুলি মহাবিদ্যালয় পৰিদৰ্শক মাননীয় ক্ষিতিশ মেধি দেৱে আমাক চৰ্ত্ত বান্ধি দিছিল।

মহাবিদ্যালয়ৰ গৃহ আৰু আচবাব নিৰ্মাণৰ বাবে অসম চৰকাৰৰ পৰা একমাত্ৰ ৰয়েলটি দিয়েই কাঠ পোৱাৰ বাবে বনবিভাগৰ ওচৰত যোগাযোগ কৰা এটি ডাঙৰ অধ্যায়। গুৱাহাটীস্থ বনবিভাগৰ বিভিন্ন কাৰ্য্যালয়, কুলসী-ননাই

বেঞ্চ আদিলৈ বহুবাৰ লৰা-ঢপৰা কৰা অবৰ্ণনীয় দুখ-কষ্ট তথা তিতা-কেঁহা আজিও মনত সজীৱ হৈ আছে। শাল আৰু প্ৰথম শ্ৰেণীৰ কাঠ বিচৰা হৈছিল যদিও সদৌ শেষত ৰসতে নাম থৈ ৰয়েলটি দি একমাত্ৰ টংলাৰ প্ৰথম শ্ৰেণীৰ অলপ কাঠ পৰীক্ষিত দাসৰ মিলৰ পৰা অনা হয় আৰু তাৰে প্ৰথমে মহাবিদ্যালয়ৰ বহুখিনি ডেক্স-বেঞ্চ আৰু অন্যান্য আচবাব নিৰ্মাণ কৰা হয়। প্ৰকাশ থাকে যে কাঠ ফলা আৰু অনাত অক্লান্ত পৰিশ্ৰমৰ বাবে " ষ্ট্ৰং ডায়েৰীয়া" হৈ প্ৰায় এসপ্তাহ কাল শয্যাগত হৈ থাকিব লগীয়া হৈ পৰে।

মহাবিদ্যালয়ৰ পুঁজিৰ বাবে বিশেষকৈ আঞ্চলিক আৰু জিলাখনৰ শিক্ষাপ্ৰাণ ৰাইজৰ ওচৰত দান-বৰঙণি বিচৰা প্ৰক্ৰিয়া ১৯৭০ চনৰ পৰা ১৯৭৭ চন পৰ্যন্ত পূৰ্ণগতিৰে অব্যাহত থাকে। প্ৰথম অৱস্থাত শ্ৰীভদ্ৰেশ্বৰ নাথদেৱে আৰু তাৰ পিছতেই মই ধন সংগ্ৰহ কাৰ্য পৰিচালনাৰ দায়িত্ব পালন কৰি আহিব লগীয়া হয়।

স্মৰণযোগ্য যে, এই সন্দৰ্ভত তদানীন্তন দুগৰাকী মণ্ডলদৈ মহকুমাধিপতি মাননীয় শ্ৰীকুলধৰ কুটুম আৰু শ্ৰীচিত্ৰৰঞ্জন দেৰ বলিষ্ঠ ভূমিকাই চালুকীয়া মহাবিদ্যালয়খনিক বহুখিনি আগুৱাই দিয়ে। পুঁজি সংগ্ৰহত পোৱা হৈছিল নানা আমোদজনক কাহিনী, সৰু সৰু ঘটনাৰ লগতে দুই এটা দুৰ্ঘটনাও। বিৰক্তিজনক অভিজ্ঞতাও নিচেই কম নহয়। এটি ক্ষুদ্ৰ প্ৰবন্ধত ইয়াৰ বৰ্ণনা সম্ভৱ নহয়।

মহাবিদ্যালয়ৰ অনুমতি কিদৰে লাভ কৰা হ'ল, তাক সংক্ষিপ্ত হলেও জ্ঞাত কৰা নিতান্তই প্ৰয়োজন। ১৯৭০ চনৰ পৰাই অনুমতিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত নীতিগত ভাৱে হেঁচা প্ৰয়োগ কৰি অহা হয়। ১৯৭১ চনৰ জুলাই মাহৰ প্ৰথম সপ্তাহত একেবাৰে কেইবাদিনো ধৰি প্ৰচেষ্টা চলোৱা হয় যদিও তদানীন্তন উপাচাৰ্য মাননীয় সুৰেশ চন্দ্ৰ দাস আৰু পঞ্জীয়ক মাননীয় শ্ৰীচিদানন্দ দাস দেৱে নতুন মহাবিদ্যালয়ৰ অনুমতি নিদিবলৈ লোৱা সিদ্ধান্তৰ কথা ব্যক্ত কৰে। সেইদিনাই শ্ৰদ্ধেয় শ্ৰীভদ্ৰেশ্বৰ নাথ আৰু শ্ৰীতনুৰাম বৰুৱা দেৱে বিশ্বস্ত সূত্ৰে জানিবলৈ পাই যে অসমত ৰাজনৈতিক মঞ্চৰ দুগৰাকী অতি প্ৰভাৱশালী ব্যক্তিৰ হেঁচাত ইতিমধ্যে দুখন মহাবিদ্যালয়ৰ অনুমতি হৈ গৈছে। শ্ৰদ্ধেয় নাথ আৰু বৰুৱা দেৱে এই প্ৰসঙ্গ উল্লেখ কৰি ছিপাঝাৰ মহাবিদ্যালয় খোলাৰ বাবে অনুমতি প্ৰদান কৰিবলৈ নেৰা-নেপেৰাকৈ লাগি থাকে। অৱশেষত পিছদিনা তেখেত সকলক পুনৰ মাতি পঠায়। নিশা দুয়ো টেক্সীৰে মণ্ডলদৈ লৈ গৈ মহকুমাধিপতি চিত্তৰঞ্জন দে আৰু তেতিয়াৰ দলগাওঁ সমষ্টিৰ বিধায়ক স্বৰ্গীয় হাছিমুদ্দিন আহমেদ দেৱক লগ ধৰে আৰু পিছদিনা বিশ্ববিদ্যালয়লৈ যাবলৈ অনুৰোধ জনায়। লগতে নিশা দহ বজাত ছিপাঝাৰলৈ উভতিবলৈ গাড়ী নথকা হেতুকে তেখেতৰ গাড়ীৰে থবলৈ অনুৰোধ জনায়। সেই দিনা আছিল বুধবাৰ। আহমেদ দেৱে কলে যে বুধবাৰে ক'ৰবালৈ ওলাই গলে তেখেতে নিশা ঘৰলৈ উভতি নাহে। সেয়ে -'আইৰো বাৰ্ত্তা গঙ্গাৰো যাত্ৰা' বুলি সেইদিনাই তেখেতে দুয়োগৰাকীক ছিপাঝাৰত নমাই থৈ ৰাতিয়েই গুৱাহাটী পাইগৈ। পিছদিনা আটাইকেইজনে পুনৰ উপাচাৰ্য আৰু পঞ্জীয়ক মহোদয়ক লগ ধৰি পুনৰ অনুৰোধ জনোৱাৰ ফলস্বৰূপে ছিপাঝাৰ মহাবিদ্যালয় খোলাৰ অনুমতি লাভ কৰা হয়। উক্ত দিনা তেখেতসকলৰ লগত বিশ্ববিদ্যালয়লৈ যোৱা সৌভাগ্য আমাৰো হৈছিল।

মহাবিদ্যালয়ৰ স্থায়ী স্থান নিৰ্দ্ধাৰণৰ বাবে সেই দিনা পৰিচালনা সমিতিৰ বৈঠক তদানীন্তণ মণ্ডলদৈ মহকুমাধিপতি আৰু পৰিচালনা সমিতিৰ সভাপতি মাননীয় শ্ৰীকুলধৰ কুটুম দেৱে সভাচলি থকা অৱস্থাতে হঠাতে কৈ উঠিল- 'এইদৰে মিটিং কৰি থাকিলে কি হব? আটায়ে বলক ঠাইলৈ যাওঁ।' সেইমৰ্মে আমি বৰ্তমান কলেজৰ স্থানলৈ আহিলো। তেখেতে স্বৰ্গীয় ভৈৰৱ চন্দ্ৰ বৰুৱাৰ লগত আলোচনা কৰি তেখেতৰ মাটিতেই আধাৰ শিলা স্থাপনৰ দিন ঠিক কৰিলে। তদনুসাৰে ২/১০/৭৩ তাৰিখে এক উৎসৱ মুখৰ পৰিবেশেৰে বোকা পানীৰ মাজতেই আধাৰ শিলা স্থাপন কৰা হ'ল। এই মহানুভৱ ব্যক্তি শ্ৰীকুটুম দেৱৰ দ্বাৰা। তেখেতৰ দৃঢ়তা আৰু আমাক যোগোৱা শক্তি সাহসৰ বাবেই





বৰ্তমান স্থানতেই নিৰ্ম্মিত হ'ল ছিপাঝাৰ মহাবিদ্যালয়খনি। শ্ৰদ্ধেয় কুলধৰ কুটুম দেৱ মহাবিদ্যালয়ৰ ইতিহাসত চিৰস্মৰণীয় হৈ ৰব।

আৰ্থিক দুৰৱস্থা সম্পন্ন একোখন মহাবিদ্যালয়ৰ পৰিদৰ্শন কৰোৱা কাৰ্য কিমান কষ্টকৰ ই সকলো ভুক্তভোগীৰে জ্ঞাত। কিয়নো তাৰ ওপৰতেই নিৰ্ভৰ কৰে অনুমতি, স্বীকৃতি আৰু মহাবিদ্যালয়খনৰ ভবিষ্যতৰ প্ৰগতি। তেনে দুটা স্মৰণীয় দিনৰ কথা থোৰতে উল্লেখ কৰা হ'ল।

১৯৭৮ চনৰ ডিচেম্বৰ মাহ। গম পালো অহা কাইলৈ কলেজ পৰিদৰ্শন। আমি খবৰ পাওঁতে দেৰি হৈ গ'ল। সাহস আৰু সকলো দিহা পৰামৰ্শৰ গুৰিয়াল সৰ্বশ্ৰী ভদ্ৰেশ্বৰ নাথ আৰু তনুৰাম বৰুৱা দেৱে গুৰি ধৰি বহি গ'ল। গোলাপকে ধৰি আমাৰ কাৰো গাত তত্ নাই। দিনটোৰ অন্তত সন্ধিয়া মোৰ ভাড়া ঘৰত সকলো তথ্য পাতি সাজু কৰাত লাগি গলো। ছিপাঝাৰ একাডেমীৰ সন্মুখৰ মোৰ এই ঘৰটি বহুদিনলৈ মহবিদ্যালয়ৰ দ্বিতীয় কাৰ্য্যালয় লেখিয়াকৈ ব্যৱহৃত হৈ আহিছে। সাত বজাৰ পৰা কেচ বুকৰ কাম চলিল। চাৰে ন বজাত মাননীয় শ্ৰীনাথ দেৱ আৰু গোলাপ ঘৰলৈ গ'ল গৈ। নিশা প্ৰায় বাৰ বাজিল। সেমেকা শীতে বৰ বেয়াকৈ আক্ৰমণ কৰিলে আমাক দুয়োকে। বৰুৱা ককাইদেউৱে কলে একুৰা জুই ধৰিবলৈ। মোৰ পাকঘৰত একুৰা জুই সন্মুখত লৈ দুয়ো পুনৰ বহি গলো। জুইৰ উমে মাজে মাজে মোৰ চকু জাপ খুৱাই নিয়ে। মাজে মাজে মোৰ পত্নী বকুলে আমাক টোপনি ভগাৱ ঔষধ (চাহ) দি আছে। এনেকৈ থাকোতেই কুকুৰাই ডাক্ দিলে আমাৰো কেচবুকৰ কাম শেষ হ'ল। বৰুৱা ককাইদেৱে কিবা এক প্ৰশান্তিত কলে-

'আমাৰ এই উজাগৰি নিশাৰ দুৰ্গতিবোৰ জানো কোনোবাই মনত ৰাখিব।' পত্নী বকুলেও অলপ সাহস পাই কৈ উঠিল- 'কলেজৰ বাবে কিমানক ভাত-চাহ খুৱালো, থিয়েটাৰ আদিত কিমান কষ্ট, টোপনি ক্ষতি, এখেতে আক'উ মোক গুৰুত্বই নিদিয়ে।' আমি তিনিও জনৰে দুখৰ মাজতো হাঁহি উঠি গ'ল।

তেতিয়া মহাবিদ্যালয়ৰ কাৰ্যালয় ঘোঁৰাবান্ধা পুখুৰীৰ পাৰৰ পঞ্চায়ত অফিচত। টেলিগ্ৰাম যোগে কলেজ পৰিদৰ্শনৰ খবৰ পালো দুদিন আগত। অধ্যক্ষ মাননীয় ৰাজখোৱা দেৱে ছুটীত আৰু সম্পাদক দেৱো বাহিৰত। ড° চন্দ্ৰপ্ৰভা ভূঞা, মোৰ আৰু গোলাপ, মহেন্দ্ৰৰ হাহাকাৰী অৱস্থা। ইমান কম সময়ৰ ভিতৰত কিদৰে সাজু হোৱা যায়। কলেজ পৰিদৰ্শক মহোদয় সময়মতে আবেলি চাৰে তিনি বজা মানত পালেহি। ড° ভূঞাই তেখেতক প্ৰত্যয় নিয়াবলৈ চেষ্টা কৰি আছে। মোৰ অৱস্থা কাহিল। তথাপি কমসময় পোৱাৰ কথাষাৰি কবলৈ মুখ মেলিলো 'সচাঁ কথা কবলৈ হলে..............................।' তেখেতে মোৰ কথা কাঢ়ি নি ধমকি দি কলে-- 'তাৰ মানে ইমান সময় মিছা কথা কৈ আছে?' আমাৰ মুখৰ মাত হৰিল। তেখেতে খঙে ৰাগে দিহা-পৰামৰ্শ দি চাহ পানী খাই গুছি যোৱাৰ পিছতেহে আমি স্বস্তিৰ নিশ্বাস পেলালো।

১৯৭৭ চন আমাৰ মহাবিদ্যালয়ৰ ঐতিহাসিক বছৰ। সম্পাদক হাছিমুদ্দিন আহমেদ দেৱে সমাজ প্ৰিয় যাদৱ হাজৰিকাদেৱৰ দানৰ মাটিত দুটি কোঠালিৰে নিৰ্মাণ কৰে প্ৰথম গৃহটি। তেখেতে এদিন মোক মাতি নি নিৰ্দ্দেশ দিলে ঘৰটিৰ কামখিনি অনতিবিলম্বে সমাপ্ত কৰি ১৫ আগষ্টৰ পবিত্ৰ দিনটিত মহাবিদ্যালয়খনি নিজৰ ঘৰটিলৈ স্থানন্তৰিত কৰা সম্পূৰ্ণ প্ৰস্তুতি চলাবলৈ। নিদেৰ্শ মতে কাম সম্পাদন কৰা হ'ল। ১৫ আগষ্টৰ দিনা আঞ্চলিক ৰাইজ, মহাবিদ্যালয় আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ উলহ মালহেৰে এটি উৰুলিকৃত অৱস্থাত দিনৰ দুই বজাত আৰম্ভ হয় উদ্বোধনী সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি মই সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনালোঁ- মহাবিদ্যালয়ৰ প্ৰথম প্ৰস্তুতি সমিতিৰ যুটীয়া সম্পাদক, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাননীয় ভূমিধৰ হাজৰিকা

ছেগুন আনিলৈ বহুবাৰ লৰা-ঢপৰা কৰা অৱৰ্ণনীয় দুখ-কষ্ট তথা চিন্তা-ধৈৰ্য্য আজিও মনত সজীৱ হৈ আছে। শাল আৰু ছেগুন আনিলৈ বহুবাৰ লৰা-ঢপৰা কৰা [illegible] প্ৰথম শ্ৰেণীৰ কাঠ কিনা হৈছিল যদিও সৰো শেষত কমতে নাম দৈ ৰয়েলটি দি একমাত্ৰ টিলাৰ প্ৰথম শ্ৰেণীৰ অলপ কাঠ পৰীক্ষিত দামৰ মিলৰ পৰা অনা হয় আৰু তাৰে প্ৰথমে মহাবিদ্যালয়ৰ বহুখিনি ডেক্স-বেঞ্চ আৰু অন্যান্য আচবাব নিৰ্মাণ কৰা হয়। প্ৰকাশ থাকে যে কাঠ কমা আৰু অনাত অক্লান্ত পৰিশ্ৰমৰ বাবে "হ্লং ভায়েৰীয়া" হৈ প্ৰায় এসপ্তাহ কাল শয্যাগত হৈ থাকিব লগীয়া হৈ পৰে।

মহাবিদ্যালয়ৰ পুঁজিৰ বাবে বিশেষকৈ আঞ্চলিক আৰু জিলাখনৰ শিক্ষাপ্ৰাণ ৰাইজৰ ওচৰত দান-বৰঙণি বিচৰা প্ৰক্ৰিয়া ১৯৭০ চনৰ পৰা ১৯৭৭ চন পৰ্যন্ত পূৰ্ণগতিৰে অব্যাহত থাকে। প্ৰথম অৱস্থাত শ্ৰীভৱেশ্বৰ নাথদেৱে আৰু তাৰ পিছতেই মই খন সাপ্তাহ কাৰ্য পৰিচালনাৰ দায়িত্ব পালন কৰি আহিব লগীয়া হয়।

স্মৰণযোগ্য যে, এই সন্দৰ্ভত তদানীন্তন দূৰদৰ্শী মহকুমাধিপতি মাননীয় শ্ৰীকুলধৰ বৰুৱা আৰু [illegible] ভূমিকাই চাৰুকীয়া মহাবিদ্যালয়খনিক বহুখিনি আগুৱাই নিয়ে। পুঁজি সংগ্ৰহত পোৱা [illegible] নানা আমোদজনক কাহিনী, সকলোবোৰৰ লগতে দুই এটা দুৰ্ঘটনাও। বিৰক্তিজনক অভিজ্ঞতাও নিচেই কম নহয়। এই সুত্ৰ [illegible] সম্ভৱ নহয়।

মহাবিদ্যালয়ৰ অনুমতি বিচাৰে লাভ কৰা হ'ল, তাৰ সংক্ষিপ্ত ৰূপত জ্ঞাত কৰা নিতান্তই প্ৰয়োজন। ১৯৭০ [illegible]

[illegible]





বৰ্তমান স্থানতেই নিৰ্মিত হ'ল ছিলাপথাৰ মহাবিদ্যালয়খনি। [illegible] হৈ ৰব।

আৰ্থিক দুৰৱস্থা সম্পন্ন এনেকোৱা মহাবিদ্যালয়ৰ পৰিদৰ্শন [illegible] জাত। কিয়নো তাৰ ওপৰতেই নিৰ্ভৰ কৰে অনুমতি, স্বীকৃতি আৰু মহাবিদ্যালয়খনৰ ভৱিষ্যতৰ গতি। তেনে দুটি স্মৰণীয় দিনৰ কথা মোৰতে উল্লেখ কৰা হ'ল।

১৯৭৮ চনৰ ডিচেম্বৰ মাহ। [illegible]

[illegible]

'আমাৰ এই উজনিৰ নিশাৰ দুৰ্গতিবোৰ জানো কোনোবাই মনত ৰাখিব!' [illegible]

[illegible]

১৯৭৭ চন আমাৰ মহাবিদ্যালয়ৰ ঐতিহাসিক বছৰ। [illegible]

[illegible]

দেৱক। তেখেতে সভাপতিৰ আসন গ্ৰহণৰ পৰিবৰ্তে– প্ৰায় ৪৫ মিনিট সময় জুৰি অনৰ্গল এটি বক্তব্য প্ৰদান কৰি উপস্থিত ৰাইজক আনন্দ প্ৰদান কৰে। এইয়া মহাবিদ্যালয়খনিৰ প্ৰতি তেখেতৰ মন মন্দিৰত পঞ্জীভূত হৈ থকা গভীৰ ভালপোৱাৰ তীব্ৰ ভাৱাবেগ বুলি কব পৰা যায়।

মহাবিদ্যালয়খনি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিভিন্ন সময়ত কেতিয়াবা কোনো ব্যক্তি আৰু মুষ্ঠিমেয় কোনো ৰাইজৰ মনৰ বিপৰীতে দুই চাৰিটা কাম সংঘটিত নোহোৱা নহয়। বিশেষকৈ মাটিৰ ক্ষেত্ৰতেই ঘটি আহিছে এই ঘটনা। তেনে এটি অপ্ৰীতিকৰ ঘটনাৰ সন্মুখীন হৈছিলো মহাবিদ্যালয়ৰ হাতীমূৰীয়াৰ মাটিৰ ক্ষেত্ৰত। মহাবিদ্যালয়ৰ সম্পাদক হাছিমুদ্দিন আহমেদ, অধ্যক্ষ ভৱানন্দ ৰাজখোৱা দেৱ আৰু মোৰ অগ্ৰজ গুৰিয়াল সকল থকা স্বত্বেও এনে এটি অপ্ৰীতিকৰ পৰিস্থিতিত জড়িত হৈ এদিন মই কি মানসিক তাড়না ভোগ কৰিছিলো তাক বুজাই কোৱা টান।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে মহাবিদ্যালয়খনিৰ বৰ্তমানৰ স্থানত মাটি ক্ৰয় আৰু মাটি দান বিচাৰি যাওঁতে আনন্দৰ লগতে লাভ কৰিছিলো দুখ-কষ্ট, তিৰস্কাৰ আৰু কটুক্তি। সম্পাদক হাছিমুদ্দিন আহমেদ দেৱে লোৱা ১ বিঃ ৪ কঃ ৮ লেচা মাটিৰ বাহিৰে ....... প্ৰায় ২২ বিঃ ১কঃ ১২লেচা মাটি আমাৰ যত্নতেই মহাবিদ্যালয়ে লাভ কৰে। এই ক্ষেত্ৰত মহৰিয়াৰ দল আৰু আন দুঠাইত মাটিক্ৰয় কৰি মহাবিদ্যালয়ৰ এলেকাৰ মাটিৰ লগত সলনি সূত্ৰে অধিকাংশ মাটি মহাবিদ্যালয়লৈ অনা হয়। প্ৰায় প্ৰতিবছৰে মাটি কিনি থকাৰ ফলত আৰ্থিক দুৰৱস্থা সম্পন্ন এই শিক্ষানুষ্ঠানটিৰ আন আন দিশৰ প্ৰগতি কিছু পৰিমানে ব্যাহত নোহোৱা নহয়। এই ক্ষেত্ৰত পোৱা ভাবুকি, অসহায় অৱস্থাৰ উদাহৰণো দুই এটা নোহোৱা নহয়। শিক্ষাপ্ৰাণ মাননীয় পট্টাদাৰ সকলৰ পৰা বৰ্তমানলৈ ২৪ বিঘা ম্যাদী পট্টাৰ মাটি সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছো। এইসকল শিক্ষা প্ৰাণ লোক চিৰকাল শলাগৰ পাত্ৰ হৈ থাকিব। স্বীকাৰ কৰিব লাগিব মাটিক্ৰয়ৰ ক্ষেত্ৰত প্ৰধানকৈ শ্ৰীতনুৰাম বৰুৱা, চন্দ্ৰকান্ত মহন্ত, মঃ চমচুদ্দিন আহমেদ আৰু আমাৰ মাজৰ পৰা অকালতে গুচি যোৱা স্বৰ্গীয় যাদৱ চন্দ্ৰ হাজৰিকাই বিশেষ সহায়ৰ হাত উজান দিছিল।

মহাবিদ্যালয়ৰ হাতীমূৰীয়া গাৱঁত সংৰক্ষিত হৈ থকা মাটি চিহ্নিত কৰাৰ মহানন্দৰ মুহূৰ্তটি আজিও মনত [illegible]। মহাবিদ্যালয়ৰ প্ৰথম দলৰ ছাত্ৰ সকল মোৰ সকলো কামৰ লগৰী শ্ৰীচন্দ্ৰকান্ত মহন্ত, যাদৱ চন্দ্ৰ হাজৰিকা, মঃ চমচুদ্দিন আহমেদ প্ৰমুখ্যে আমি এটি দলে সেইদিনা মাটিৰ সীমা বন্ধাৰ বাবে কোৰ পৰা কামত লাগি গলো। দুপৰীয়া আহাৰৰ বাবে কোনো তৰকাৰী নথকাত কেইগৰাকীমান ছাত্ৰই আমাৰ মাটিত থকা মেটেকা গুছাই বহুতো গৰৈ মাছ ধৰি দিলে। তাকেই পুৰি লৈ পৰম তৃপ্তিৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো সকলোৱে। সচাঁকৈয়ে এনে মধুৰ স্মৃতি আজিৰ বাবে বিস্ময় যেন লাগে।

মহাবিদ্যালয় খনিক লৈ এদিন মোৰ ব্যক্তিগত জীৱনৰ ওপৰেৰে বলি গৈছিল প্ৰচণ্ড ধুমুহা। সেইয়া আছিল জীৱনৰ পট পৰিবৰ্তনৰ দোমোজা। মোৰ ঘৰুৱা অৱস্থা নাছিল একেবাৰেই স্বচ্ছল। তাতে ১৯৬৫ চনত বিদায় দিছো চৰকাৰী চাকৰি। ইফালে পকাদলি হাইস্কুল খনে ঘাটী মঞ্জুৰী পোৱাবো মাথোন কেইদিনমানহে হৈছে। আকৌ মহাবিদ্যালয়ৰ দৰমহা বিহীন চাকৰিলৈ। অৰ্থাৎ পুনৰ বিদায় দিব লাগিব পূৰ্ণ পৰ্য্যায়ৰ শিক্ষকতাৰ চাকৰি। কিন্তু কি পৰিবেশ-পৰিস্থিতিয়ে মোক মহাবিদ্যালয়লৈ আহিবলৈ বাধ্য কৰালে তাৰ সংক্ষিপ্ত বিৱৰণ দাঙি ধৰা হ'ল।

বি. টি. (বি, এড) পঢ়াৰ এটি সুবিধা লাভ কৰি তেতিয়া মই যোৰহাট প্ৰশিক্ষণ মহাবিদ্যালয়ত। মাথোন বাৰ দিন ক্লাচ কৰাৰ পিচতে আহে গৰমৰ বন্ধ। ঘৰলৈ আহিয়েই মহাবিদ্যালয়ৰ পৰিদৰ্শনৰ কামত গোলাপক লগত লৈ পৰিদৰ্শক মাননীয় ক্ষিতিশ মেধি দেৱৰ বাসগৃহত উপস্থিত হলোগৈ। অভাৱনীয় ভাবে তেখেতৰ ঘৰত এটা ভয়াৰ্ত পৰিস্থিতিত সোমাই পৰিলো। চাৰে কোঠাত প্ৰবেশ কৰিয়েই মোক দেখি অগ্নি শৰ্মা হৈ গ'ল। গোলাপক বাহিৰলৈ





পঠিয়াই মোক তৰ্জ্জন গৰ্জ্জন কৰিবলৈ ধৰিলে। তাৰ মাজতেই মহাবিদ্যালয় আৰু মোৰ বিৰুদ্ধে লিখা এজাপ বেনামী চিঠি আৰু আবেদন পত্ৰ- ডাঙি ধৰি কলে- 'এইবোৰ চোৱা। সেয়ে কৈছো- এসপ্তাহৰ ভিতৰত তুমি হাইস্কুলৰ চাকৰি আৰু বি. টি প্ৰশিক্ষণৰ পৰা ইস্তফা দি মোক ৰিলিজ অৰ্ডাৰ দাখিল কৰিব লাগিব। অন্যথাই তোমাৰ কলেজ ভাঙি দিয়া হব।'

মোৰ দুচকুৰ পৰা অবাৰিত ভাবে তপতাশ্ৰু নিগৰি আহিছিল আৰু এটা সময়ত মই হুকহুকাই কান্দি দিলো। 'চাৰে মোৰ ওপৰত যি কৰে কৰক। কিন্তু কলেজখনৰ অন্যায় নকৰিব।' মই ভাবাবেগত তেখেতৰ ভৰিত সাৱটি ধৰিলো। ধাৰাযাৰ বৰষুণৰ পিছত যেন শান্তি প্ৰবাহিত হ'ল। তেখেতে মৰমেৰে মোক বহুতো বুজনি দিলে। এজন পূৰ্ণ পৰ্য্যায়ৰ গুৰিধৰা শিক্ষক নহলে যে অনুষ্ঠানখন নহয়; তাক ব্যক্ত কৰি কলেজখনৰ দায়িত্ব লবলৈ মোক নিৰ্দেশ দিলে। চাৰৰ চৰ্ত্ত মানি ঘৰলৈ আহিলো। বাটত সম্পাদক হাছিমদাৰ কথাখিনি বাৰে বাৰে মোৰ মনলৈ আহিল। 'তোৰ বকুলক (পত্নী) চাকৰি মই দিম। তই কলেজলৈ আহিব লাগিব।' সচাঁকৈয়ে এই দূৰদৃষ্টি সম্ভৱ মহানুভৱ পুৰুষজনে মোৰ পত্নীক প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদত নিযুক্তি দিয়ে।

সেই দিনা সন্ধিয়া শিক্ষানুষ্ঠানখনিৰ অন্যতম প্ৰতিষ্ঠাতা স্বৰ্গীয় পূৰ্ণৰাম বৰুৱাদেৱক লগত লৈ পালোগৈ সম্পাদক শ্ৰীমাধৱ চন্দ্ৰ ৰাজবংশী দেৱৰ ঘৰ বৰমপুৰ। শ্ৰীৰাজবংশী দেৱে সেইদিনা সানন্দে মোক মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে নিযুক্তি প্ৰদান কৰি কাম কৰি যাবলৈ পৰামৰ্শ আগবঢ়ায়।

ইফালে পৰিদৰ্শক মহোদয়ৰ চৰ্ত্ত অনুসৰি ২০/১/৮১ তাৰিখে হাইস্কুলৰ চাকৰিৰ পৰা আৰু যোৰহাট বি. টি প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা অব্যাহতি লৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাত আত্মনিয়োগ কৰো। তেতিয়াৰে পৰা মহাবিদ্যালয়ৰ মাটি-বৃত্তি, ঘৰ-দুৱাৰ, শৈক্ষিক আৰু প্ৰশাসনিক সকলো দিশৰ গুৰু দায়িত্ব নীৰৱে মূৰ পাতি লওঁ।

ছিপাঝাৰ মহাবিদ্যালয়ৰ দুখ-দৈন্যৰ প্ৰাথমিক স্তৰত যি গৰাকী দূৰদৃষ্টি সম্পন্ন, সাহসী দৃঢ়মনা, ব্যক্তিত্ব সম্পন্ন সমাজপ্ৰাণ লোকে নিঃস্বাৰ্থ ত্যাগেৰে এগৰাকী কাণ্ডাৰী ৰূপে মহাবিদ্যালয় খনিক এটি সবল স্থিতি আৰু প্ৰগতি প্ৰদান কৰিলে, সেই গৰাকী ছিপাঝাৰৰ শানোৱা গাওঁৰ সন্তান, সিংহপুৰুষ হাছিমুদ্দিন আহমেদ দেৱ মহাবিদ্যালয়ৰ জীৱন বুৰঞ্জীত যুগমীয়া হৈ থাকিব। এইটো স্বীকাৰ্য যে তেখেতৰ বুদ্ধি ভৰসাতে মহাবিদ্যালয়খনিয়ে সহজে অনুমতি লাভ কৰে, নিজে প্ৰথম মাটি কিনি আৰু দান লৈ প্ৰথম গৃহ নিৰ্মাণ কৰে, নিজৰ ধনৰ কিয়দংশ খৰচ কৰি সংৰক্ষিত পুঁজিৰ এন-এচ-চি কিনে, পুঁজিৰ ধন নাথাকিলেও বিহু, তিথি- পাৰ্বণত নিজৰ পৰাই শিক্ষকৰ বেতন দিয়া এই গৰাকী ব্যক্তিয়ে মহানুভৱতাৰ পৰিচয় দি গৈছে। মহাবিদ্যালয় পৰিচালনাত মই যদি কিবা শক্তি, সাহস , প্ৰেৰণা পাইছো তাৰে অধিকাংশই সেই মহান ব্যক্তি জনাই মোক সততে বিভিন্ন কামত খটুৱাই দিয়া কঠোৰ নিৰ্দেশ, ধমকি আৰু দিহা-পৰামৰ্শৰ ফল বুলি আজি মই গভীৰ আন্তৰিকতাৰে স্বীকাৰ কৰিছোঁ।

ছিপাঝাৰ মহাবিদ্যালয়ৰ মেল-মিটিং আৰু কাম বুলিলে গাত ততনাইকীয়া আৰু অবিৰত ভাবে মাটি-বৃত্তি, থিয়েটাৰ, ধান আৰু ধন সংগ্ৰহ আদি কামত সততে সহায় কৰি অহা কেইগৰাকীমান নিঃস্বাৰ্থবান ব্যক্তি যথাক্ৰমে মাননীয় শ্ৰীচন্দ্ৰকান্ত মহন্ত আৰু প্ৰথম গৃহনিৰ্মাণৰ মিস্ত্ৰী স্বৰ্গীয় সান্তোৰাম কলিতা দেৱ সদায় স্মৰণযোগ্য হৈ থাকিব।

১৯৮২ চনৰ মে' মাহৰ ২২ তাৰিখে সূচনা হয় মোৰ জীৱন বুৰঞ্জীৰ এটি নতুন অধ্যায়। মহাবিদ্যালয়খনিৰ অধ্যক্ষ হিচাপে গুৰু দায়িত্বভাৰ অৰ্পিত হয় আমাৰ ওপৰত। পৰৱৰ্ত্তী কালত মহাবিদ্যালযখনিৰ এই চোৱাসময়ৰ এটি সংক্ষিপ্ত বিৱৰণ প্ৰকাশৰ কামনা একান্তই ৰাখিলোঁ। ◆

# আধুনিক অসমীয়া কবিতাত এভূমুকি

শৰৎ চন্দ্ৰ শৰ্মা
স্নাতক ৩য় বৰ্ষ

কবিতা মূলতঃ সাহিত্য, অনুভূতিশীল মনৰ প্ৰকাশ যদিও কবিতাৰ লগত অনুভূতিৰ সম্পৰ্ক বেছি গভীৰ। এই সম্পৰ্ক আত্মকেন্দ্ৰিক। ই হৈছে এবিধ মননশীল সাহিত্য। কবিতা সম্পৰ্কে ইংৰাজ কবি আৰু মনীষী ক'লৰিজে কৈছে- "কবিতা কি? এই প্ৰশ্নটো কবি কি? প্ৰশ্নৰ সৈতে এনে অভিন্ন, যে এটাৰ উত্তৰ আনটোৰ সমাধানৰ লগত জড়িত। কবি হ'ল আদৰ্শ পূৰ্ণৱিস্থাত এনে এজন মানুহ যি মানুহৰ সমগ্ৰ আত্মাকে সক্ৰিয় কৰি তোলে। কবিয়ে এনে এক ঐক্যৰ ৰহণ আৰু সত্বা বিয়পাই দিয়ে যিয়ে বিভিন্ন উপাদানক পৰস্পৰ লগত সম্পূৰ্ণভাৱে মিলাই দিয়ে। এই সমন্বয়ধৰ্মী যাদুকৰী শক্তিৰ নাম আমি দিছো - কল্পনা। এই পৰস্পৰ বিৰোধী বা বিভিন্ন গুণৰ সমন্বয় আৰু সংহতিৰ যোগেদি প্ৰতিভাত হয়।"

**কবিতাৰ সংজ্ঞা ঃ**

ইংৰাজ সমালোচক ডঃ জনচনে কবিতাৰ সংজ্ঞা দিছে এইদৰে - "কবিতা হ'ল ছন্দোবদ্ধ ৰচনা" সংজ্ঞা হিচাপে ই মাথোন কবিতাৰ বহিৰংগৰহে বৰ্ণনা।

ৱৰ্ডচ্‌ৱৰ্থৰ মতে- "নিৰলাত সোঁৱৰা হিয়াৰ আবেগেই হৈছে কবিতা।"

মেথিউ আৰ্নল্ডে কৈছে - "কবিতা হ'ল জীৱন বীক্ষা।"

অডেনৰ মতে - "কবিতা হ'ল স্মৰণীয় বাক্য।"

কাৰ্লাইলৰ মতে - "কবিতা হ'ল সংগীতময় চিন্তা।"

সংস্কৃত আলংকাৰিক বিশ্বনাথৰ মতে - "বাক্যং ৰসাত্মকং কাব্যম্।" ইয়াৰ অৰ্থ ৰস যুক্ত বাক্যই কবিতা।

ৱাট্‌ছ ডান্টনৰ মতে - "কবিতা হ'ল আবেগময় আৰু ছন্দ স্পন্দিত ভাষাৰ মাধ্যমত মানৱীয় মনৰ মূৰ্ত্তিমান আৰু শিল্পীত অভিব্যক্তি।"

আমি কবিতাৰ সংজ্ঞা সমূহলৈ লক্ষ্য কৰিলে 'কবিতা' কি? সেইটো ক্ষীণকৈ হলেও ধৰিব পাৰো।

**আধুনিক অসমীয়া কবিতা ঃ**

আধুনিক অসমীয়া কবিতা সম্পৰ্কে সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে দেখা যায় যে এইশ্ৰেণী কবিতাৰ শুভাৰম্ভ ঘটিছে এটা নিৰ্দ্দিষ্ট আদৰ্শ বা ইজিমৰ যোগেদি। বিংশ শতিকাৰ চতুৰ্থ দশকটো অসমীয়া কবিতাৰ বাবে এটা বিশেষত্বপূৰ্ণ সময়। দ্বিতীয় মহাযুদ্ধই কঢ়িয়াই আনে নতুন যুগৰ বাৰ্ত্তা, নতুন চেতনা, সামাজিক পৰিবৰ্তনৰ নতুন সূচনা। দুখন বিশ্ব যুদ্ধৰ অন্তস্পৰ্শী প্ৰতিক্ৰিয়া, মাৰ্ক্সীয় সাম্যবাদী দৃষ্টি ভংগী আৰু গণতান্ত্ৰিক বাস্তৱবাদী দৃষ্টি ভংগীৰ মাজত সংঘটিত সংঘৰ্ষ ফ্ৰয়েডৰ মনোবিশ্লেষণে পোহৰলৈ অনা মানৱ মনৰ বিভিন্ন স্তৰৰ ৰহস্য, বিশ্বৰ অৰ্থনীতিত সৃষ্টি হোৱা অৰ্থনৈতিক সংকট, উদ্যোগীকৰণে সৃষ্টি কৰা নতুন নতুন সমস্যা, প্ৰকৃতিৰ আশ্ৰয়ৰ পৰা মানুহ লাহে লাহে আতৰি অহা ঘটনাই গোটেই মানৱ মনে এক জটিল দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এইদৰে যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিতালৈ আহি পৰিছে সংশয়, অনিশ্চয়তাবোধ, জটিলতা আৰু বিচ্ছিন্নতাবোধ।





দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা আৰ্থসামাজিক আৰু সাংস্কৃতিক সংকটৰ পটভূমিত কমল নাৰায়ণ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ যুটীয়া সম্পাদনাত প্ৰকাশ পোৱা 'জয়ন্তী' য়ে প্ৰগতিবাদৰ আদৰ্শ ঘোষণা কৰি আধুনিক অসমীয়া কবিতা আগমণৰ আগজাননী দিয়ে।

চল্লিশৰ দশকৰ এই সন্ধিক্ষণতে যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা দুটা ভিন্নমুখী শিবিৰত বিভক্ত হৈ পৰিল- এটা প্ৰগতিবাদী শিবিৰ আৰু আনটো আধুনিকতাবাদী শিবিৰ। প্ৰথমটোৰ নিয়ন্ত্ৰক হ'ল সমাজতান্ত্ৰিক - ৰাজনৈতিক চেতনা আৰু ছন্দৰে ভৰা আধুনিকতাবাদী চেতনা। প্ৰথমটো শিবিৰৰ দাৰ্শনিক ভেটি হ'ল মাৰ্ক্সবাদ। দ্বিতীয়টোৰ মাজত দেখা গ'ল ফ্ৰয়েড, নীৎস, এলিয়ট, পাউণ্ড আদি কবিৰ প্ৰভাৱ। মহেন্দ্ৰ বৰাই এই দুটা শিবিৰক "জনতাৰ কবি" আৰু "নিৰ্জনতাৰ কবি" নামেৰে আখ্যা দিছে।

আধুনিক কবিতাৰ বিৱৰণ ক্ষেত্ৰখন অতি বহল। এক বিশাল আয়তনৰ মাজতো আধুনিক কবিতাই কেইটিমান বিশিষ্ট লক্ষণ কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। তলত কেইটিমান লক্ষণ আৰু বৈশিষ্ট্য চমুকৈ আলোচনা কৰা হ'ল।

(ক) কুৰি শতিকাৰ সমাজ হৈ পৰিছে ক্ৰমশঃ নগৰ কেন্দ্ৰিক। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ সাধন হোৱাৰ লগে লগে যান্ত্ৰিক ব্যৱহাৰৰ লগত নগৰীয়া সমাজ আৱদ্ধ হবলৈ বাধ্য হৈ পৰিছে। এনে নগৰ কেন্দ্ৰিক সভ্যতাৰ বায়ু পানীৰে শোধিত ব্যক্তি মানসৰ প্ৰতিফলন ঘটিছে আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰখনটো। সেয়ে আধুনিক কবিতাৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে- নগৰ কেন্দ্ৰিক যান্ত্ৰিক সভ্যতাৰ ছবি। উদাহৰণ স্বৰূপে এই লক্ষণ দেখিবলৈ পাওঁ -

"নিজেই প্ৰবাসী তাৰ আধাগঢ়া মহানগৰৰ
য'ত জীৱনৰ নহ'ল সূচনা
সেই মৰা চহৰৰ বুকুত অকলে বহি
সপোনেৰে সপোনৰ অভাৱ পূৰায়"

(লখিমী- নৱকান্ত বৰুৱা)

**(খ) মাৰ্ক্সীয় দৰ্শনৰ আধাৰত নতুন সমাজ গঢ়াৰ প্ৰয়াস ঃ**

মাৰ্ক্সৰ মতে, সমাজৰ সকলো প্ৰকাৰৰ অশান্তিৰ মূল হৈছে - অৰ্থনৈতিক বৈষম্য। আমাৰ সমাজত একশ্ৰেণী মানুহ অধিক ধনী হৈ গৈছে আৰু আন এক শ্ৰেণী মানুহ অধিক দুখীয়া অৰ্থাৎ দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰিবলগীয়া হৈছে। ফলত সৃষ্টি হৈছে শ্ৰেণী বৈষম্য জাত-পাত, ধনী-দুখীয়া, পুঁজিপতি শোষক। সমাজত শান্তি আৰু সমৃদ্ধি প্ৰতিষ্ঠা কৰিবলৈ হলে এই বৈষম্যৰ অৱসান ঘটিব লাগিব। এনে মতবাদৰ ভেটিতে প্ৰগতিবাদী সাহিত্যৰ ধাৰাটো অসমীয়া সাহিত্যতো প্ৰবাহিত হৈছে বুলি কব পাৰি। কবি অমূল্য বৰুৱাৰ চমক প্ৰদ আবিৰ্ভাৱে অসমীয়া কাব্যমোদীৰ মনত আলোড়নৰ সৃষ্টি কৰিছিল। মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী এইগৰাকী কবিয়ে দেখিছিল মানুহৰ মাজত সীমাহীন বৈষম্য। সেই বাবে তেওঁ 'কুকুৰ', 'বেশ্যা', 'কয়লা' আদি কবিতাত ছবি আঁকিছে এই নিৰুপায়-নিপীড়িত দলৰ-

"আৱৰ্জনাৰ দমবিলাকৰ কাষে কাষে
সিহঁতৰ প্ৰত্যেকৰে মুখে মুখে
ৰস নাইকীয়া শুকান একোডোখৰ

জাতি-বৰ্ণ বিচাৰ নোহোৱা হাড়।" ('কুকুৰ' কবিতা)

**(গ) ফ্ৰয়েড়ৰ মনোবিজ্ঞানৰ প্ৰভাৱ ঃ**

জাৰ্মান মনোবিজ্ঞানী ফ্ৰয়েডৰ মতে, আমাৰ চেতন মনৰ সকলো আশা-আকাঙ্খা, কামনা-বাসনা, প্ৰেৰণা-প্ৰয়োজন, অভিপ্ৰায় আদি বাস্তৱত পূৰণ নহয়। ফ্ৰয়েডৰ মনোবিজ্ঞানৰ প্ৰভাৱৰ দ্বাৰা আধুনিক কবিসকল প্ৰভাৱান্বিত। আধুনিক অসমীয়া কবিয়ে মনৰ বিক্ষোভক গ্ৰহণ কৰিছে এনেদৰে-

"দাপোনত ফুটে ৰেচমী ফিটাৰ দৰে
ছোৱালীবোৰৰ মুখৰ বিবৰ্ণতা
যেন পলাতক ফাঁচীৰ আচামীৰ হৃদয়ত
অৱচেতন বিক্ষোভ।"
(ৰাম গগৈৰ - 'জন্মৰ আগৰ প্ৰাৰ্থনা')

**(ঘ) ইতিহাস চেতনা ঃ**

আধুনিক কবিতাৰ সৃষ্টিত আন এটি উল্লেখনীয় বৈশিষ্ট্য হৈছে ইতিহাস চেতনা। আধুনিক কবিসকল ইতিহাস সম্পৰ্কে মানস সচেতন। তেওঁলোকৰ দৃষ্টিভংগী হ'ল অতীতক বৰ্তমানৰ সমভূমি আৰু সমকালত চোৱা। কেতিয়াবা অতীতৰ পাতখিলা লুটিয়াই কবিসকলে অনুভৱ কৰে এক বেদনাভৰা ইতিহাস -

"চাহাৰাই কব
শতেক নিশাৰ নিঃশ্বাস সনা এটি এটি সাধু
এহেজাৰ ৰাতি জোৰা কাৰোবাৰ
বেদনাৰ ইতিহাস
সিও বহুদূৰ দূৰ শতিকাৰ
শিৰী, ফৰহাদ, ওমৰৰ কথা
কাৰাবন্দিনীৰ ছাঁয়া খেদি কোনোৱা
অচিন ৰাজকোঁৱৰৰ
বিৰামহীন যাত্ৰাৰ ৰূপ কথা।"
(হৰি বৰকাকতিৰ - 'সন্ধিয়াৰ ধোঁৱা')

**(ঙ) পুনঃ উক্তি ঃ**

আধুনিক কবিসকলক বিশেষকৈ পশ্চিমীয়া কাব্যই বিশেষভাৱে আকৰ্ষিত কৰিছিল। পাশ্চাত্যৰ কবিসকলে অসমীয়া কবিসকলৰ অন্তৰ স্পৰ্শ কৰিছিল। সেয়ে অসমীয়া কবি সকলে নানা পংক্তি উল্লেখ কৰি কবিতাৰ গতি আগবঢ়াই নিছিল। এই লক্ষণ অৱশ্যে হেম বৰুৱাৰ কবিতাত দেখিবলৈ পোৱা যায়। হেম বৰুৱাৰ "মমতাৰ চিঠি" কবিতাটি আৰম্ভ কৰিছে এজ্ৰাপাউণ্ডৰ "The River Merchant's wife : a letter" শীৰ্ষক কবিতাটিৰ শেষৰ শাৰীকেইটাৰ উদ্ধৃতিৰে।





If yor are coming down through the narrows
of the river kiang
Pleas let me know beforehand.
And I will come out to meet you
As far as cho-fu-sa.
(Ezra pound.)

তাৰ পিছতহে আৰম্ভ কৰিছে তেওঁৰ নিজৰ কথাৰে "মমতাৰ চিঠি" কবিতা।

**(চ) জৈৱিক কামনা-বাসনা ঃ**

আধুনিক কবিসকল প্ৰেমৰ শাশ্বত ৰূপত বিশ্বাসী নহয়, দেহজ ৰূপত বিশ্বাসী। দেহজ প্ৰেমত সৌন্দৰ্য্য পিপাশাই চৰম পৰিতৃপ্তি লাভ কৰে। কবি হোমেন বৰগোহাঞিৰ কবিতাত দেহজ কামনা-বাসনাৰ প্ৰকাশ ঘটিছে। তেওঁ লিখিছে যে -

"ৰাতিৰ বুকুত হায় আছে নেকি কোনো
এক নাৰীৰ হৃদয়
স্ফীতোদৰা কোনো এক প্ৰগল্‌ভা
নাৰীৰ অসংগ কামনা,
অনিমেষ-স্তব্ধ কাৰ বোবা চাৱনিত
সুদূৰ আহ্বান
তন্দ্ৰা আৰু মৰণৰ।"
(হোমেন বৰগোহাঞিৰ - 'ৰাতি কবিতা')

**(ছ) ক্লান্তি আৰু নৈৰাশ্যৰ ভাৱনাঃ**

বৰ্তমান জীৱন হৈ পৰিছে বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত। আজি সকলো দিশে সমাজ জীৱনৰ সংঘটিত নানা ঘটনা, নানা সমস্যাই জনমানসক চিন্তান্বিত কৰি তুলিছে। সেয়ে আহি পৰিছে জীৱনলৈ এক ক্লান্তি-নৈৰাশ্যবোধ। এই কান্তি-নৈৰাশ্যবোধ দেখিবলৈ পাওঁ নৱকান্ত বৰুৱাৰ "ইয়াত নদী আছিল" কবিতাটিত -

"কিন্তু মৰুভূমি আহে
লাহে লাহে মাহে মাহে বছৰে বছৰে
আহতৰ খোৰোঙত এপাহি কপৌ ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ
ফুট ছাই বৰণৰ এখন পৃথিৱী।"

**কবিতাৰ চানেকি ঃ**

দ্বিতীয় মহাসমৰৰ পাছত অসমীয়া সাহিত্যত সাম্প্ৰতিক কবিতাৰ উৎপত্তি। এই নতুন কবিতাৰ আৰম্ভ জয়ন্তী ৰ বুকুত। জয়ন্তী স্তৰৰ কবিতাৰ চানেকি আধুনিক অসমীয়া কবিতা। অমূল্য বৰুৱাৰ বিপ্লৱী, বেশ্যা; হেমবৰুৱাৰ পূজা, বান্দৰ; কেশৱ মহন্তৰ চোৰৰ কৈফিয়ৎ, ভবানন্দ দত্তৰ ৰাজপথ, পউদাৰ; আদি এই সময়ৰ প্ৰতিনিধিত্বমূলক কবিতা। কবিৰ ভিতৰত নৱকান্ত বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, ইব্ৰাহীম আলি, অজিত বৰুৱা, বীৰেন্দ্ৰ নাথ বৰকটকী, পেৰোডিষ্ট মহেশচন্দ্ৰ দেৱগোস্বামী আদি আছে। এই সময়ত কেশৱ মহন্তইমাত্ৰ পুথিৰ আকাৰে 'আমাৰ পৃথিৱী' প্ৰকাশ কৰে। যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ ভাল সংকলণ হ'ল মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন কবিতা' পুথিখনিৰ দুৱাৰ মুখতে দেৱকান্ত বৰুৱাক লৈ তেওঁক নতুন শৈলীৰো কবি বুলি আদৰা হৈছে। এই স্তৰৰ আন আন সাৰ্থক কবি সকল হ'ল নৱকান্ত বৰুৱা - 'হে অৰণ্য হে মহানগৰ', এটি দুটি এঘাৰটি তৰা', যতি আৰু কেইটামান স্কেছ' ; হেম বৰুৱা - 'বালিচন্দা'; মহেন্দ্ৰ বৰা -'জাতিস্মৰ' ; বীৰেশ্বৰ বৰুৱা- 'নিৰ্জন নাবিক' ; কেশৱ মহন্ত - 'আগন্তুক' ; নীলমণি ফুকন - 'সূৰ্য্য হেনো আহে এই নদীয়েদি', অমলেন্দু গুহ- 'তোমালৈ'; হৰি বৰকাকতি, হোমেন বৰগোহাঞিঃ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, মহিম বৰা, হেমাংগ বিশ্বাস, প্ৰফুল্ল ভূঞা, সুশীল শৰ্মা, ৰাম গগৈ, বীৰেণ বৰকটকী, নিৰ্মলপ্ৰভা বৰদলৈ ইত্যাদি।

শেষত আমি কব লাগিব যে বৰ্তমান সময়ত আৰু শতসহস্ৰ নবীন কবিৰ জন্ম হৈছে আৰু জন্ম হব। সেই গতিৰেই কাব্যৰ নতুন ধাৰাও বৰ্তমান জনমানসত হৈ আছে আৰু হব নিৰৱছিন্ন ভাবে। ◆

**সহায়ক গ্ৰন্থপুঞ্জী ঃ**


১। অসমীয়া সাহিত্যৰ দৃষ্টিপাত - ড° হেমন্ত কুমাৰ শৰ্মা।

২। সাহিত্য বিচাৰ - ৰামমল ঠাকুৰীয়া

৩। নতুন কবিতা - ড° মহেন্দ্ৰ বৰা

৪। কবিতাৰ বিচাৰ আৰু নতুন সমালোচনা - ড° হীৰেণ গোঁহাই।






# হাঁহিৰে জীৱন জুখিব বিচৰা ব্যক্তি গৰাকী


*মোহিনী গোস্বামী*

*বিভাগীয় প্ৰধান, শিক্ষা বিভাগ*


হাঁহিৰে জীৱন জুখিব বিচৰা এই ব্যক্তি গৰাকী হ'ল আমাৰ সকলোৰে সুপৰিচিত,অতি জনপ্ৰিয় ব্যক্তি প্ৰয়াত লক্ষ্যধৰ চৌধুৰীদেৱ। মুখত অনবৰতে লাগি থকা শিশু সুলভ প্ৰশান্তিৰ হাঁহিৰে সভাই সমিতিয়ে তেখেতে ৰাইজক প্ৰায়েই সকিয়াই দিছিল —

"জীৱন জুখিবা হাঁহিৰে
চকুলোৰে নহয়
বয়স জুখিবা বন্ধুৰে
বছৰেৰে নহয়।"

তেখেত সৌ সিদিনা যোৱা বছৰ ২০০০ চনৰ ১৮ শুকুৰবাৰে ৰাতিপুৱা চাৰে আঠ বজাত হাঁহি হাঁহিয়েই সকলোকে অবাক কৰি "ঠিকনা" বিহীন ঠাইলৈ গুছি গ'ল। তেখেতৰ অসুখৰ সময়ত খবৰ লবলৈ যোৱা ব্যক্তিসকলকো ৰগৰ কৰিয়েই কৈছিল — "যমে মাজে মাজে মোক নিবলৈ আহে। মই চাপৰ হোৱা বাবে চুকি নাপায়; সেয়ে ওপৰৰ পৰাই গুছি যায় ..... মই সৎ কথা ভাল পাওঁ। এটা কথা মাত্ৰ বেয়া পাওঁ, সেয়া হ'ল মৰিবলৈ। মৰিলেনো কি লাভ হব?" এইদৰে ৰাইজক ৰসৰ মাজত বুৰাই থৈ এজন বীৰৰ দৰে হাঁহি হাঁহিয়েই গুছি গ'ল; নিজে হাঁহি, আনক কন্দুৱাই।

"অসমীয়া মানুহে হাঁহিব নাজানে"— সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া জাতিৰ প্ৰতি আক্ষেপেৰে কোৱা এই কথাষিনি যেন লক্ষ্যধৰ চৌধুৰীদেৱে অকলেই খণ্ডন কৰিব বিচাৰিছিল নিজে হাঁহি, আনকো হঁহুৱাই। গুৱাহাটীৰ পৰা প্ৰকাশিত "অবিকল" নামৰ আলোচনীখনে তৃতীয় বছৰলৈ তেখেতক "ৰসৰাজ বঁটা" প্ৰদান কৰি যোগ্যজনক যোগ্য সন্মান প্ৰদৰ্শন কৰিছিল। তেখেতৰ মৃত্যুৰ পিচতো তেখেতৰ উপজা দিন ১৪ নৱেম্বৰ তাৰিখটো, তেখেতৰ স্মৰণ উপলক্ষে গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত অনুষ্ঠিত সভাত "কিতাপৰ দিন" হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে- এয়া এক আদৰণীয় কাৰ্য্য।

মুখত শিশুসুলভ হাঁহিৰে, চুটি-চাপৰ খদ্দৰৰ চোলা-চুৰীয়া পৰিহিত, তজবজীয়া খোজেৰে জন-গণ মাজেৰে সকলোৰে মাজত পৰিচিত এই গৰাকী ব্যক্তি কাৰোবাৰ অজানীত হব পাৰেনে? এখেতৰ জন্ম হৈছিল উত্তৰ-গুৱাহাটীৰ ৰংমহলত ১৯১৪ চনৰ দ্বীপান্বিতাৰ দিনা। তেখেতৰ ভাষাত — "ৰজাই হেনো ইয়াত ৰং কৰিছিল। ইয়াৰ বাবেই হয়তো আমাৰ গাঁৱৰ প্ৰায় সকলোৱে ৰং ৰহইচ কৰি ভাল পায়"। তেখেত আছিল ভূধৰ চৌধুৰী আৰু উমা চৌধুৰীৰ পঞ্চম পুত্ৰ। পঢ়াশলীয়া শিক্ষা আৰম্ভ হয় ৰংমহল প্ৰাথমিক বিদ্যালয়ত। তাৰ পিছত হাইস্কুলীয়া শিক্ষা কটন কলেজিয়েট স্কুলত লয়। ১৯৩৮ চনত কটন কলেজৰ পৰা সুখ্যাতিৰে বি. এছ. চি. পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৩৯ চনৰ পৰা ১৯৪২ চনলৈ উত্তৰ গুৱাহাটী আউনীআটী কমলদেৱ হাইস্কুলত শিক্ষকতা কৰে আৰু ১৯৪২ চনৰ ১১ আগষ্টত শিক্ষকতাৰ পদ এৰি ৪২ গণ আন্দোলনত জঁপিয়াই পৰে।

মাথোন সাত বছৰ বয়সতেই উত্তৰ গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলা পৰিষদৰ জৰিয়তে নাট আৰু অভিনয় জগতত প্ৰৱেশ কৰি ছয়াশী বছৰীয়া জীৱন কালত চৌধুৰীদেৱে এগৰাকী নাট্যকাৰ, মঞ্চাভিনেতা, চিত্ৰ পৰিচালক, মুক্তি যুঁজাৰু, মিউনিচিপেলিটিৰ চেয়াৰমেন, কৰ্পৰেচনৰ মেয়ৰ, বিধায়ক, মন্ত্ৰী, সাহিত্যিক, সমাজকৰ্মী হিচাপে নিজৰ অনন্য প্ৰতিভাৰ চানেকী ৰাখি থৈ গৈছে। তেখেতৰ মানৱ দৰদী সত্বা প্ৰকাশ পায়-- সমাজৰ সহজ সৰল মানুহৰ মাজত লুকাই থকা অসাধাৰণত্ব যিনি অনুধাৱন কৰি, জনসাধাৰণৰ মাজত তেখেত সকলক পৰিচয় কৰি দি স্বীকৃতি দিয়া মহান কাৰ্যই।

লিখক হিচাপে তেখেতৰ ৰচনাশৈলীৰ এটা বৈশিষ্ট হ'ল জীৱন আৰু সমাজৰ প্ৰতি থকা গভীৰ উপলব্ধি, সকলোচাম মানুহৰ প্ৰতি থকা গভীৰ মমতাবোধ, সকলোকে আনন্দত আপ্লুত কৰি ৰাখিব পৰা সৰল ৰসৰ উপস্থাপন। তেখেতৰ "মইনামতী" আৰু "মানুহ বিচাৰি" দুখন সঁচা কাহিনীৰ ভিত্তিত লিখা অন্তৰস্পৰ্শী গ্ৰন্থ। "মইনামতী"ৰ পাতনিত লব্ধপ্ৰতিষ্ঠ গ্ৰন্থকাৰ ঈশ্বৰ প্ৰসাদ চৌধুৰীদেৱে উল্লেখ কৰিছে – "চকু থাকিলেই চোৱা নহয়, চাবৰ কাৰণে দৰদী মন এটা লাগে। ইংৰাজীত দুটা শব্দই কথাটো ভালদৰে বুজাই দিয়ে। এটা হ'ল- to see আৰু আনটো হ'ল to observe চোৱা আৰু নিৰীক্ষণ কৰা। আমি সদায় বহু ঠাইত বহু ক্ষেত্ৰত গ্ৰন্থকাৰৰ নায়ক নায়িকা সকলক দেখোঁ। তেওঁলোকৰো যে এখন কল্প জগত আছে আমি সন্ধান নাপাওঁ। সেই সন্ধান দিয়ে চৌধুৰীয়ে। আমি চাওঁ, তেওঁ দেখে। আমাৰ দৃষ্টি আৰু গ্ৰন্থকাৰৰ দৃষ্টিৰ মাজত সীমাহীন প্ৰভেদ। তেওঁৰ অৰ্ন্তদৃষ্টিয়ে মানুহৰ বাহিৰৰ আৱৰণ ভেদকৰি অন্তৰৰ বাতৰি যোগান ধৰে। আমাৰ যিসকলৰ তেনে দৃষ্টি নাই, তেওঁলোকক প্ৰকৃত মানুহটোক চিনাকি কৰি দিয়ে। সেই চিনাকিয়ে আমাৰ মনটো জোকাৰি দি যায়। গ্ৰন্থকাৰে এইবোৰ সাৰ্থক চৰিত্ৰ সৃষ্টিৰ যোগেদি অসমীয়া সাহিত্যলৈ যি সম্পদ আগবঢ়াইছে তাৰ তুলনা নাই। এয়া অসমীয়া সাহিত্যৰ এটি অভিনৱ সংযোজন।"

প্ৰথিতযশা বুদ্ধিজীৱি ডঃ হীৰেণ গোহাঁইদেৱৰ মন্তব্যও এই ক্ষেত্ৰত উল্লেখনীয়- "ভাৰতীয় ভাষা পৰিষদে শ্ৰীলক্ষ্যধৰ চৌধুৰীদেৱৰ 'মানুহ বিচাৰি' গ্ৰন্থখনৰ বাবে সন্মানিত কৰিছে। চৌধুৰীদেৱৰ ৰাজনীতি আমাৰ বাবে দুৰ্বোধ্য। আন বহু পাঠকৰ দৰে ময়ো অনুভৱ কৰিছোঁ। এই কিতাপখন আমাৰ সাহিত্যৰ অনুপম কীৰ্ত্তি। সহজ-সৰল ভাষা আৰু কথনভঙ্গীৰে তেখেতে আমাৰ ওচৰলৈ লৈ আহিছে অনাদৰ-অৱহেলাৰ মলিন সোণৰদৰে আমাৰ সমাজৰ সাধাৰণ মানুহৰ মহত্ব। ইমান খাঁটি, সৰল আৰু সজীৱ ৰচনা আজি-কালি দুৰ্লভ। বহু ৰাজনৈতিক প্ৰলোভনৰ পৰা বহু দুষ্ট বুদ্ধিৰ পৰা আঁতৰলৈ আহিলেহে এনে এখন কিতাপ লিখিব পাৰি"।

আমাৰ নাট্য জগততো লক্ষ্যধৰ চৌধুৰী এটি আকৰ্ষনীয়, পৰিচিত নাম। তেখেত একাধাৰে সু-নাট্যকাৰ, সু-অভিনেতা আৰু সু-পৰিচালক আছিল। ডঃ দুৰ্গেশ্বৰ শৰ্মাদেৱে উল্লেখ কৰা মতে তেখেতে ৫৬ খন নাট লিখিছে, ৪ খন চলচ্চিত্ৰ পৰিচালনা কৰিছে, ১০ খন কথাছবিত অভিনয় কৰিছে, ৰেডিঅ', মঞ্চত কিমান নাটক অভিনয় কৰিছে তাৰ সীমা-সংখ্যা নাই। অসম প্ৰকাশন পৰিষদে তেখেতৰ এঘাৰখন নাটক সন্নিবিষ্ট কৰি "লক্ষ্যধৰ চৌধুৰী নাট্যাৱলী" নামেৰে প্ৰকাশ কৰি তেখেতৰ নাটকৰ প্ৰতি যোগ্য সন্মান প্ৰদৰ্শন কৰে। তেখেতৰ এখন অতি জনপ্ৰিয় নাটক হৈছে "ঠিকনা"। "ঠিকনা" নাটকৰ "গজানন হাজৰিকা"ৰ চৰিত্ৰটোত তেখেতৰ অভিনয় ইমানেই জীৱন্ত হৈছিল যে তেখেতক বহুতেই "গজানন হাজৰিকা" বুলিহে চিনি লৈছিল। মৃত্যুৰ মাত্ৰ কিছুদিন আগেয়ে শেষবাৰলৈ "গজানন হাজৰিকা" হৈ চৰিত্ৰটো আৰু অধিক জীৱন্ত কৰি অভিনয়ৰ প্ৰতি থকা তেখেতৰ দুৰ্বাৰ হেঁপাহ প্ৰকাশ কৰি থৈ গ'ল।

অসমীয়া কথাছবি জগতৰো মুকুট বিহীন সম্ৰাট আছিল লক্ষ্যধৰ চৌধুৰী দেৱ। তেখেতৰ মঞ্চ সফল নাটক "নিমিলা অংক"ৰ জৰিয়তে তেখেতে কথা ছবি জগতত প্ৰতিষ্ঠা লাভ কৰিছিল। নিপ বৰুৱা পৰিচালিত 'আমাৰ ঘৰ,





কথা ছবিখনৰো তেখেত মূল অভিনেতা আছিল। জাহ্নু বৰুৱাৰ 'ফিৰিঙতি' নামৰ কথা ছবি খনৰ এটি চৰিত্ৰ ৰূপায়ণৰ বাবে তেখেতক অনুৰোধ কৰোতে তেখেতে কৈছিল - 'পূজাৰ বেদীত অৰ্পণ কৰিবলৈ ওলোৱা সকলো ফুলে সমান। সেয়েহে নাটকৰ মাজতো মই সৰু ডাঙৰ চৰিত্ৰ বিচাৰি নাথাকোঁ। মই ভাবো সকলোৰেই অৰিহণা সমান"। ইমানেই মহানুভৱ ব্যক্তি আছিল তেখেত! তেখেত যথাক্ৰমে কমল নাৰয়ণ চৌধুৰী আৰু প্ৰবীন ফুকনৰ সৈতে যৌথভাৱে পৰিচালনা কৰা ছবি দুখন হ'ল- "বদন বৰফুকন" আৰু "লাচিত বৰফুকন"। এইখিনিতে তেখেতৰ নিজস্ব বক্তব্য দুটামান উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। এয়া তেখেতৰ সাহিত্য সম্পৰ্কে আগবঢ়োৱা উপলব্ধি-

"মই চুটি চাপৰ মানুহ। মোৰ বাক্যবোৰ চুটি। মোৰ লিখাত কল্পনাৰ প্ৰয়োগ নাই, অনৰ্থক জটিলতা নাই। আচলতে যিমান সহজ সৰলকৈ লিখিব পাৰি সিমানেই পাঠকৰ মনলৈ সোমাই যাব পাৰি। সৰু সৰু বাক্যৰ সহজ সৰলকৈ লিখা মোৰ ৰচনা ৰীতিয়ে যদি আন দহজনক আকৰ্ষিত কৰিব পাৰে, তেনেহলে মই ভাবিবলৈ বাধ্য হ'ম যে জীৱনৰ শেষ ভাগত কলম ধৰি মই ভুল কৰা নাই"।

"সাহিত্য-সংস্কৃতিৰ সাধনা মই গোটেই জীৱন কৰিছোঁ বুলি ক'ব পাৰি। অৱশ্যে সাহিত্য কলা- সংস্কৃতিৰ পথাৰত যে উল্লেখনীয় কিবা কৰিব পাৰিছোঁ সেয়া নেভাবোঁ। কিন্তু সাধনাৰ পথত যত্নৰ ত্ৰুটি কৰা নাই, মোৰ বাবে- "Joy lies in the attempt not in achieving it" অৰ্থাৎ প্ৰচেষ্টাতহে আনন্দ, সাফল্য নহয়"।

অকল প্ৰচেষ্টাতহে ব্যক্তি হোৱা ব্যক্তি চৌধুৰী দেৱে তেখেতে হাত দিয়া সকলো দিশতে সাফল্যৰ গৌৰৱ কঢ়িয়াই আনি সকলোকে বিৰল আদৰ্শ দাঙি ধৰি থৈ গ'ল। লগতে অসমীয়া সাহিত্য-সংস্কৃতি ভড়াঁললৈ দি গ'ল অনবদ্য অৱদান।◆

( এই প্ৰবন্ধটি যুগুত কৰোতে কেশৱ বৰুৱাৰ সম্পাদিত "শ্ৰদ্ধাঞ্জলী" পুস্তিকাখনৰ সহায় লোৱা হৈছে। তাৰোপৰি প্ৰয়াত নাৰায়ণ বেজবৰুৱা দেৱৰ পৰা দিহা-পৰামৰ্শ শ্ৰদ্ধাৰে স্মৰণ কৰিলোঁ।)

*"যেতিয়া তুমি পৃথিবীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা; আৰু ওচৰ চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যেতিয়া তুমি পৃথিবী এৰি যোৱা তেতিয়া যেন তুমি হাঁহি যাব পাৰা, আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।"*

*– হেম চন্দ্ৰ গোস্বামী*

# ৰাষ্ট্ৰীয় ঐক্য শিক্ষা

ৰবিতাৰাণী ভূঞা
উঃ মঃ ২য় বৰ্ষ

দেশ এখনৰ অৱস্থা আৰু মানদণ্ডই সেই দেশ আৰু সভ্যতাৰ পৰিচয় দিয়ে। ভৌগলিক দিশৰ পৰা যদি লক্ষ্য কৰা যায় ভাৰতবৰ্ষ এখন বিশাল দেশ আৰু সেই অনুপাতে ইয়াৰ জনসংখ্যাও যথেষ্ট। চীন দেশৰ পাছতে ভাৰতবৰ্ষৰ নাম উল্লেখ কৰিব পাৰি। ইয়াৰ জনসংখ্যা বিভিন্ন বৰ্ণ, ধৰ্ম আৰু ভাষাৰ দ্বাৰা সংমিশ্ৰণ হৈ একতাৰ দোলেৰে বান্ধখাই সকলোকে মহান ভাৰতীয় ৰূপে পৰিচয় দিছে। যদিও ৰাজনৈতিক ক্ষেত্ৰত একতাৰ দোলেৰে বা সাংবিধানিক বান্ধোনে ভাৰতীয় সকলক এক কৰিছে, তথাপি কেতিয়াবা আৱেগ জনিত কাৰণত ইয়াৰ ব্যতিক্ৰম নথকা নহয়। আজি ভাৰতৰ বুকুত তেনে বহুত সমস্যাই দেশবাসীক জুৰুলা কৰিছে। ইয়াৰ বাবে আমি ভাৰতীয় নাগৰিক বিলাকে আবেগিক ভাৱেও আমাৰ ঐক্যমত পোষণ কৰিব লাগিব। আবেগিক দিশত উন্নতি লাভ কৰি দেশ অথবা জাতি গঠনৰ নিচিনা মহান কামত আমি সকলোৱে মনোনিবেশ কৰা উচিত, তেতিয়াহে ৰাজনৈতিক ক্ষেত্ৰত বা বহিঃক্ষেত্ৰত দেশে বিশ্বৰ ভিতৰত আগস্থান পাব। এইটো স্বীকাৰ কৰিব লাগিব যে ভাৰতবৰ্ষ আৰু ভাৰতীয় সকল "অনক্যৰ মাজত ঐক্য"।

ভাৰতীয় জনসাধাৰণৰ বেছি ভাগ লোক এতিয়াও নিৰক্ষৰ হৈ আছে। ৰাষ্ট্ৰীয় সংহতিৰ ক্ষেত্ৰত শিক্ষা হব অপৰিহাৰ্য্য অৰ্থাৎ শিক্ষা হ'ল সংহতিৰ বাবে। শিক্ষাই বৌদ্ধিক দিশত নমাৰ লগে লগে আবেগিক দিশতো বুজাপৰাৰ মাধ্যমেৰে সংহতিৰ দিশটোলৈ আগবঢ়াই লৈ যাব। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ, ইয়াৰ জনসাধাৰণে যদি ধৰ্মনিৰপেক্ষ আদৰ্শৰ প্ৰতি আনুগত্য প্ৰকাশ নকৰে তেতিয়া হ'লে ইয়াৰ দ্বাৰা হয়তো ভৱিষ্যতত এটা পৃথক পৃথক মনোভাৱৰহে সৃষ্টি কৰিব। ৰাষ্ট্ৰীয় ঐক্যৰ ক্ষেত্ৰত ই অতি ক্ষতিকাৰক। শিক্ষাই এনে ধাৰণা বা অন্ধতা নোহোৱা কৰাত সহায় কৰিব পাৰে। শিক্ষাই বিভিন্ন আঞ্চলিক বৈষম্য আতৰ কৰিব পাৰে। ইয়াৰ দ্বাৰাই আমাৰ মাজত ভাতৃত্বৰ ভাব সুদৃঢ় কৰাৰ লগতে বিভিন্ন আঞ্চলিক উপ-সংস্কৃতিৰ যোগেদি আন আন সংস্কৃতিৰ লগত বিলীন হৈ এটা মহান জাতি আৰু ভাৰতীয় সকলক এক শক্তিশালী গোট হিচাপে পৰিচয় দিব পাৰিব।

শিক্ষা বুলিলে সাধাৰণ অৰ্থত বা একেবাৰে ঠেক অৰ্থত পুথিগত বা বিদ্যালয়ৰ চাৰিবেৰৰ শিক্ষাকে ধৰা হয়। বহল অৰ্থত শিক্ষা অকল বিদ্যালয়ৰ চাৰিবেৰ নাইবা পুথিগত শিক্ষাই নহয়, বাহিৰ জগতখনৰ সকলো শিক্ষনীয় বিষয় শিক্ষা হব পাৰে। ৰাষ্ট্ৰীয় ঐক্য নতুবা জাতি গঠনৰ বৃহৎ কাৰ্য্যৰ লগত বিদ্যালয়ৰ ভূমিকা এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি।

The school is a Miniature society - জন ডিউইৰ (Dewey) ভাষাৰে ক'বলৈ হ'লেও বিদ্যালয় এখন ক্ষুদ্ৰ সমাজ। গতিকে ৰাষ্ট্ৰ বা এখন বৃহৎ সমাজ গঠনৰ ক্ষেত্ৰত বিদ্যালয়ে বা শিক্ষাই যথেষ্ট অৰিহণা যোগাব পাৰে। সৰুৰে পৰা শিকালে জনসাধাৰণৰ মাজত ৰাষ্ট্ৰীয় ঐক্যৰ মনোভাৱ সুদৃঢ় হয় আৰু তেতিয়া কোনো বাধা নাহে। যেতিয়া ল'ৰা-ছোৱালীয়ে নিজকে সকলোৱে মিলি আমি এজন বুলি ভাবিব পাৰে। এই কথা আমি সকলোৱে বুজা উচিত।

আৰম্ভণিতে উল্লেখ কৰা হৈছে যে যি কোনো দেশৰ অৱস্থা বা মানদণ্ডই সেইদেশ আৰু সভ্যতাৰ পৰিচয় দিয়ে। এই ক্ষেত্ৰত পৰিয়াল বিলাকৰ কথা উল্লেখ কৰিব পাৰি। ঐতিহাসক দৃষ্টি কোণৰ পৰা বিচাৰিলে দেখা যায় যে





পৰিয়ালেই হ'ল সমাজৰ সবাতোকৈ প্ৰাচীন আৰু শক্তিশালী অনুষ্ঠান। ৰোজেন ক্ৰেজ (Rosen Craz) নামৰ এগৰাকী পণ্ডিতে এই সম্পৰ্কে মন্তব্য দি কৈছে- 'গৃহস্থই হ'ল শিক্ষাৰ আৰম্ভণি বিন্দু।' সমাজত বিদ্যালয় স্থাপিত হোৱাৰ আগতে শিশুক বৰ্ণ পৰিচয়কে ধৰি সকলোবিলাক নৈতিক, অৰ্থনৈতিক আৰু বৃত্তিমূলক শিক্ষা দিছিল পৰিয়ালে। যদিও বৰ্ত্তমানে শিক্ষাৰ পৰিধি বহু পৰিমাণে বিস্তৃত হৈ পৰিছে। তথাপি শিক্ষাৰ আৰম্ভণি বিন্দু হিচাবে ৰাষ্ট্ৰীয় ঐক্যৰ ক্ষেত্ৰত পৰিয়ালৰ ভূমিকা কম হব নোৱাৰে। পৰিয়ালতে সৰু সৰু ল'ৰা-ছোৱালীক ৰাষ্ট্ৰৰ প্ৰতি ভাল পোৱাৰ ভাব আৰু দায়িত্ব বোধৰ শিক্ষা দিব লাগে।

এই ক্ষেত্ৰত লৱলগীয়া পাঠ্যক্ৰম ব্যৱস্থাৰ প্ৰতি বুদ্ধিজীবি সকল সদায় সচেতন হোৱা উচিত। উপযুক্ত পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা উচিত। বিশেষকৈ বুৰঞ্জীয়ে আবেগিক সংহতিৰ ক্ষেত্ৰত উন্নতি সাধন কৰিব পাৰে। ইয়াৰ বাবে অস্বাভাৱিকতাৰে ভৰা বিষয় বিলাকক শুদ্ধ কৰি বুৰঞ্জীত ঠাই দিয়া উচিত। ৰাষ্ট্ৰীয় ঐক্যৰ যি লক্ষ্য এই ক্ষেত্ৰত আমাৰ বিদ্যালয় সমূহে ছাত্ৰ-ছাত্ৰীক কিছুমান কৰ্তব্যৰ বিষয়ে চমু আভাস দিব লাগে।

**ৰাষ্ট্ৰীয় ঐক্যত বিদ্যালয়বোৰৰ দায়িত্ব সমূহ হ'ল** - (ক) বিদ্যালয় বিলাকত বিভিন্ন জাতীয় উৎসৱ পাৰ্বণ আদি অনুষ্ঠিত কৰি সেই বিলাকত ছাত্ৰ-ছাত্ৰীক যোগদান কৰিবলৈ প্ৰেৰণা যোগাব লাগে।

(খ) ৰাষ্ট্ৰীয় বিভিন্ন কাৰ্য্যসূচীত ভাগলবলৈ দি ছাত্ৰ -ছাত্ৰীৰ মনত দেশ প্ৰেমৰ মনোভাৱ সুদৃঢ় কৰিবলৈ যত্ন কৰিব লাগে।

(গ) নেতৃ স্থানীয় লোকৰ উপস্থিতি আৰু উপদেশেৰে ছাত্ৰ-ছাত্ৰীক দেশৰ বিভিন্ন কথা জানিবলৈ আৰু উপকৃত হবলৈ সুযোগ দান কৰিব লাগে।

(ঘ) বিভিন্ন দেশ আৰু অঞ্চল পৰিভ্ৰমণ কৰাৰ সুযোগ দান কৰি সম্প্ৰীতি সংহতি আৰু সহযোগৰ কঠিয়া ছাত্ৰ-ছাত্ৰীৰ কোমল মনত সিঁচি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(ঙ) পাঠ্যক্ৰম সমূহ শুদ্ধভাৱে প্ৰস্তুত কৰা হব লাগে। আঞ্চলিকতাবাদ বা ধৰ্মান্ধতাক আশ্ৰয় দিয়া একেবাৰে উচিত নহয়। বিদ্যালয় সমূহে ধৰ্মনিৰপেক্ষ নীতি মানি চলা উচিত।

(চ) মাজে সময়ে বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে মিলি আলোচনা চক্ৰ আদি পতাৰ ব্যৱস্থা কৰিব লাগে।

ৰাষ্ট্ৰীয় ঐক্যৰ ক্ষেত্ৰত আমি সকলোৱে এক হোৱা উচিত। ◆

*"ৰাতি যিমানেই কঠিন হব প্ৰভাত সিমানেই উজ্বল হব। চাৰিওফালৰ পৰা আন্ধাৰে আবৰি ধৰিলেও ভয় নাখাবা পোহৰ হবই।"*

*— মাডাৰ টেৰেছা*

# অৰুণাচল প্ৰদেশৰ শিক্ষাৰ অগ্ৰগতি, এটি পৰ্য্যালোচনা

*চন্দ্ৰ চৌধুৰী*
*প্ৰবক্তা, শিক্ষা বিভাগ*

অৰুণাচল প্ৰদেশ ভূটান আৰু চীন দেশৰ আন্তৰ্জাতিক সীমাত অৱস্থিত। মুঠ ভূমিভাগ ৮৪০০০ বৰ্গ কিঃ মিটাৰেৰে ই উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ৰাজ্য। ২০০১ চনৰ পিয়ল অনুসৰি মুঠ জনসংখ্যা ১০,৯১,১১৭ জন । ভাৰতবৰ্ষৰ আটাইতকৈ কম জনঘনত্বৰ (প্ৰতি বৰ্গ কিঃমিঃ ১৩ জন ) ৰাজ্য এইখন। ইয়াত ২০ টাতকৈ অধিক ভাষীক আৰু জনগোষ্ঠীৰ লোক বাস কৰে। ৰাজ্যখনক ১৪ খন জিলাত ভাগ কৰা হৈছে।

**ইতিহাস ঃ-** ১৯১৪ চনত অৰুণাচলক তিনিটা ভাগত ভাগ কৰা হয়। Baliapara Frontier Tract, Lakhimpur Frontier Tract, Sadia Frontier Tract । ১৯৫৪ চনত ইয়াক North East Frontier Agency (NEFA) বুলি ৬ টা ভাগত ভাগ কৰা হয় । সেইবোৰ হ'ল ১। কামেং, ২। সোৱনশিৰি, ৩। চিয়াং, ৪। লোহিত, ৫। টিৰাপ, ৬। টুৱেনচাং। ১৯৫৭ চনত টুৱেনচাং অঞ্চল নাগালেণ্ডত চামিল হয়। ১৯৬৫ চনত নেফা বৈদেশিক মন্ত্ৰালয়ৰ পৰা গৃহমন্ত্ৰালৈ স্থানান্তৰ হয়। ১৯৭২ চনত নেফা অৰুণাচল প্ৰদেশ নামেৰে নামাংকিত হয় আৰু কেন্দ্ৰীয় শাসিত ৰাজ্যলৈ উন্নীত হয়। ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰীত অৰুণাচলক স্বতন্ত্ৰ ৰাজ্যৰূপে ঘোষণা কৰা হয়।

**শিক্ষাৰ অগ্ৰগতি ঃ** ১৯৪৭ চনত অৰুণাচল প্ৰদেশত মাত্ৰ এখন প্ৰাথমিক বিদ্যালয় (পাচিঘাটত ৩৫ জন ছাত্ৰৰ সতে ) আছিল। ১৯৫১ চনৰ প্ৰথম পিয়ল মতে শিক্ষিতৰ হাৰ ০.০১% য'ত দেশৰ শিক্ষিতৰ হাৰ ১৮% । ১৯৫০ চনলৈ ৪খন বিদ্যালয় স্থাপন হৈছিল। ইয়াৰ মাত্ৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় ( দৈমুখ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়)।

১৯৬২ চনৰ চীনা যুদ্ধৰ সময়ত ভাৰত চৰকাৰৰ অৰুণাচলৰ প্ৰতি প্ৰথম চকু খোল খায়। প্ৰতিটো জিলা সদৰতে একোখনকৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন হয়। ১৯৬৪ চনত প্ৰথমখন মহাবিদ্যালয় ( জৱাহৰলাল নেহৰু মহাবিদ্যালয় পাচিঘাট) ত স্থাপন কৰা হয়। ১৯৭২ চনত শ্বিলঙৰ পৰা ৰাজধানী উঠাই অনাৰ পিছ ত শিক্ষাৰ অগ্ৰগতি কিছু খৰ হবলৈ আৰম্ভ কৰে। ১৯৭৯ চনত ইটানগৰত ২য় খন মহাবিদ্যালয় ( দেৰা নতুংগ চৰকাৰী মহাবিদ্যালয় ) স্থাপিত হয়। ১৯৮৩ ত চনত উত্তৰ পূৰ্বাঞ্চল বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান (NERIST ) নিৰজুলিত স্থাপিত হয়। আৰম্ভনিতে মহাবিদ্যালয় দুখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আছিল কিন্তু অসম আন্দোলনৰ বাবে অনিয়মীয়া পৰীক্ষা ব্যৱস্থাত অতীষ্ঠ হৈ পাঞ্জাব বিশ্ববিদ্যালয়ৰ অধীনলৈ যায়। দূৰত্বৰ বাবে বহুতো অসুবিধা হোৱাত পিছলৈ ১৯৮৪ চনৰ ৪ ফেব্ৰুৱাৰীত অৰুণাচল বিশ্ববিদ্যালয় (Rono hill) ত স্থাপন কৰা হয় আৰু মহাবিদ্যালয় দুখন ইয়াৰ অধীনলৈ আহে। ১৯৮৮ চনত তেজুত আৰু ১৯৯৬-৯৮ চনৰ ভিতৰত DONY 1 - POLO GOVT. COLLEGE, KANKI RANGFRAH GOVT. COLLEGE আৰু CHAGLANG AND TIRAP DEGREE COLLEGE, KHONSA ত স্থাপন হয়।





**ৰাষ্ট্ৰীয় সংগঠনৰ দ্বাৰা পৰিচালিত শিক্ষা ঃ-** অৰুণাচল প্ৰদেশত কেন্দ্ৰীয় বিদ্যালয় সংগঠন, নবোদয় বিদ্যালয় সংগঠনৰ বহুতো বিদ্যালয় বৰ্তমান স্থাপিত হৈছে।

**স্বেচ্ছাসেৱী সংগঠনৰ ভূমিকা ঃ-** ৰামকৃষ্ণ মিচন, আংলং আৰু নৰোঠাম নগৰ দেওমাৰ্টিন আৰু সাৰদা মিচন স্কুল ১৯৬০ চনত স্থাপন হয়। ১৯৭০ চনত বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰীয়ে বিভিন্ন ঠাইত ১৯ খন বিদ্যালয় স্থাপন কৰে। DONY 1 - POLO আৰু BOOM KAKIR MISSION ৰেও বহুতো বিদ্যালয় স্থাপন জড়িয়তে শিক্ষা প্ৰসাৰৰ ব্যৱস্থা কৰি আছে।

**শিক্ষাৰ মাধ্যম ঃ-** ১৯৫৪ চনৰ আগলৈ বিদ্যালয় সমূহৰ শিক্ষাৰ মাধ্যম হিন্দী আছিল। পিছলৈ মাধ্যমিক শিক্ষা অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনলৈ অহাৰ পিছ ত মাধ্যম অসমীয়া কৰা হয়। ১৯৭২ চনত NEFA ছাত্ৰসন্থাই দাবী কৰাৰ ফলত শিক্ষাৰ মাধ্যম ইংৰাজী হয় আৰু SEBA ৰ অধীনৰ পৰা পঞ্জীয়ন CBSC ৰ অধীনলৈ নিয়া হয়। হিন্দীক CBSC য়ে সমানে প্ৰাধান্য দিয়াত শিক্ষাৰ উপৰি অন্যান্য ক্ষেত্ৰতো ই যোগাযোগ মাধ্যমলৈ ৰূপান্তৰ হৈছে।

**সামৰণি ঃ** যোৱা ৩০-৪০ বছৰত অৰুণাচল প্ৰদেশে শিক্ষাৰ ক্ষেত্ৰত এক দ্ৰুত প্ৰগতি লাভ কৰা দেখা যায়। ১৯৬১ চনত ১/৮ গুণ পিছপৰি থকাৰ বিপৰীতে ১৯৭১ ত ৭.২৮% , ১৯৮১ ত ২৫.৫৪% আৰু ২০০১ চনৰ পিয়ল মতে ৫৪.৭৪% য'ত সৰ্বভাৰতীয় গড় ৬৫.৩৮%। স্বাধীনতাৰ পিছত মাত্ৰ ৩৫ জন ছাত্ৰক সাঙুৰি লোৱা শিক্ষাই আজি ২৮০৭০৭ জনক সামৰি লৈছে। তলত বৰ্তমান অৰুণাচল প্ৰদেশৰ শিক্ষাৰ অগ্ৰগতিৰ তালিকা এখন দেখুওঁৱা হৈছে ---

| ক্ৰমিক নং | শিক্ষানুষ্ঠানৰ ধৰণ | চৰকাৰৰ অধীনৰ | বেচৰকাৰী | মুঠ |
|---|---|---|---|---|
| ১ | বিশ্ববিদ্যালয় | ০১ | - | ০১ |
| ২ | মহাবিদ্যালয় | ০৭ | - | ০৭ |
| ৩ | কাৰিকৰী অনুষ্ঠান | - | ০১ | ০১ |
| ৪ | ৰাজ্যিক শিক্ষা প্ৰতিষ্ঠান | ০১ | - | ০১ |
| ৫ | জিলা শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান | ০৬ | - | ০৬ |
| ৬ | উচ্চতৰ মাধ্যমিক বিদ্যালয় | ৫৫ | ১৩ | ৬৮ |
| ৭ | মাধ্যমিক বিদ্যালয় | ৮৮ | ২০ | ১০৮ |
| ৮ | মজলীয়া বিদ্যালয় | ২৯৭ | ৩১ | ৩২৮ |
| ৯ | প্ৰাথমিক বিদ্যালয় | ১২৩১ | ৫৮ | ১২৮৯ |
| ১০ | প্ৰাক্ প্ৰাথমিক বিদ্যালয় | ২৬ | ২০ | ৪৬ |
| | মুঠ | ১৭১০ | ১৪৩ | ১৮৫৪ |

# প্ৰত্যাৱৰ্ত্তনৰ পিছত

*অভিজিত হাজৰিকা*
স্নাতক ৩য় বৰ্ষ



কোনো এক ৰোমান্টিক কবিয়ে অনিন্দ্য সুন্দৰীৰ ৰূপ লাৱণ্য বহুপৰ উপভোগ কৰি ভাৱত বিভোৰ হোৱাৰ দৰে, অৰ্চনাৰ নিদ্ৰামগ্ন আটিল মুখ খনলৈ একেথৰে চাই চাই প্ৰণৱ গভীৰ চিন্তাত মগ্ন হ'ল । তাইৰ দুচকুত তেতিয়াও নিদ্ৰাহীনতাৰ সাঁচ । নিৰ্বাক, নিস্তব্ধ ওঁঠজুৰিৰ কোণত তেতিয়াও এটি বাসনাৰ কথমপি বাচি থকা প্ৰাণ। আজি অৰ্চনাৰ পবিত্ৰতাত, আস্থাত, বিশ্বাসত প্ৰণৱ অভিভূত হৈ পৰিল । যাক সি ইমানদিনে অকণো গুৰুত্ব দিয়া নাছিল, মাথো এজনী অবুজ, যৌৱন উণ্মনা গাভৰু বুলি ভাবি আহিছিল, সেই অৰ্চনাৰ প্ৰতি তাৰ আজি হিয়া বিগলিত হৈ পৰিল । সি তাৰ অতীতকলৈ অতীষ্ঠ হৈ পৰিল । কেনেকৈ যে কালৰ কুটিল গতিত নষ্ট হৈ গ'ল তাৰ জীৱনৰ সেই সোণালী দিনবোৰ। অস্তিত্বৰ প্ৰশ্নত ক্ষন্তেকলৈ তাৰ ভৰিৰ তলৰ মাটিখিনি যেন কঁপি উঠিল। অথচ সকলোবোৰটো তাৰ জ্ঞাতেই হৈ গ'ল।

প্ৰণৱ তেতিয়া স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ । প্ৰতিটো পৰীক্ষাত সুফল প্ৰাপ্ত প্ৰণৱ এক উচ্চ মানসিকতাৰে আহিছে বি. এ.পঢ়িবলৈ । দেখাত সুন্দৰ প্ৰণৱ বেছ ভাবুক আৰু মিতভাষী । সেই স্বভাৱৰ বাবেই হয়তো তাৰ মনত গঢ় লয় এক কবি সত্বা । প্ৰণৱে কবিতা লিখে, লিখি বাৰে বাৰে পঢ়ি চায়, কিন্তু কিবা এক অবুজ লাজ আৰু ভয়ে সেইবোৰ প্ৰকাশ কৰাৰ পৰা সি বিৰত থাকে । অৰ্চনাই কিন্তু বেছ মনোযোগিতাৰে তাৰ কবিতাবোৰ পঢ়ে। সেইবোৰ পঢ়ি তাই খুবেই ভাল পায় । অৰ্চনাই প্ৰণৱক তাৰ কবিতাবোৰ প্ৰকাশ কৰিবলৈ বেছ জোৰ দিয়ে। কিন্তু তাইৰ কথাই প্ৰণৱৰ মনত ক্ৰিয়া নকৰে । সি ভাবে অৰ্চনাই কবিতা পঢ়িলেও সেইবোৰ বুজিব নাজানে । এনেদৰেই অৰ্চনাৰ কথাবোৰ প্ৰণৱে প্ৰত্যাখ্যান কৰে । অৰ্চনা জনীলৈ সঁচাই খুব বেয়া লাগে । বেচেৰীৰ আপোন বুলিবলৈ কোনোৱেই নাই । সেয়ে হয়তো তাই প্ৰণৱৰ মাজত এক অস্তিত্ব কল্পনা কৰে । প্ৰণৱৰ সতে গঢ়ি তুলিব বিচাৰে এক মধুৰ আত্মীয়তা । প্ৰণৱে কিন্তু তাইৰ ভাৱনা নুবুজে, বুজিবৰ চেষ্টাও নকৰে ।

অৰ্চনা প্ৰণৱহঁতৰ দূৰ সম্পৰ্কীয় মানুহৰ ছোৱালী । তাই সৰুৰে পৰাই প্ৰণৱহঁতৰ ঘৰতেই আছে । দেউতাক এজন ৰেলৱে বিভাগৰ কৰ্মী । মাক এজনী অতি শান্ত, নম্ৰ সুগৃহিনী । দেউতাক আছিল স্বভাৱতে সুৰাসক্ত । মাকৰ বহু

কাকুতি, বুজনিয়েও তেখেতৰ চৰিত্ৰ পৰিবৰ্তন কৰিব পৰা নাছিল । বৰং তেওঁলোকৰ মাজৰ অপ্ৰেমৰ জেহাদখনহে সবল কৰিছিল । তেখেতে ক্ৰমাৎ দুই এঘন্টা পলমকৈ ঘৰ সোমাইছিল আৰু এক আসুৰিক আচৰণ কৰিছিল মাকজনীক। ওচৰ-চুবুৰীয়া মানুহেও বহু কথা বুজাইছিল মানুহজনক । কিন্তু তেওঁৰ কঠোৰ চৰিত্ৰত সেই সকলোবোৰ ভোটা হৈছিল আৰু এদিন তেওঁ ওলাই গৈছিল ঘৰ এৰি । ৰৈ গৈছিল কণমানি শিশুটিৰ মাকজনী অকলে । অসহায়া মানুহগৰাকী ক্ৰমাৎ দিন কটাইছিল চৰম বিপৰ্যয়েৰে । অৱশ্যে দুই এজন আহিছিল তেওঁক সহায় কৰিবলৈ । কিন্তু মানুহজনীয়ে কাৰোপৰা সহায় লোৱা নাছিল । ঘৃণা উপজিছিল তেওঁৰ সমগ্ৰ পুৰুষ জাতিৰ প্ৰতি । এৰা ! পুৰুষ সদায় পুৰুষেই !!

সেইদিনা মিনতি কিবা সকামত অৰ্চনা হতঁৰ ঘৰৰ ফালে গৈছিল। তেখেতে গিৰীয়েকৰ চাকৰিটোৰ বাবে বহুদিনৰ পৰাই লাগি আছিল । সেই সংক্ৰান্তিয় কামতে সেই দিনা অৰ্চনাহতঁৰ বাটেৰে মৌজাদাৰক লগ কৰিব গৈছিল। আহোতে তেওঁ সেয়ে অৰ্চনাহতঁৰ ঘৰত এপাক সোমাল ।

মিনতি প্ৰণৱৰ মাক । দেউতাকে হাস্পাতালত এটা সৰু চাকৰি কৰিছিল । পিছে দুখৰ কথা, কিছুদিন আগতে মানুহজনৰ মৃত্যু হ'ল । এতিয়া মিনতিয়ে সেই পদটোৰ বাবে খাটি আছে ।

যোৱা তিনিদিন অৰ্চনাৰ মাকৰ ভীষণ জ্বৰ । বেচেৰী অৰ্চনাজনী মাকৰ ওচৰত বহি কান্দি আছে । হয়তো তিনিদিনীয়া লঘোনত দুৰ্বল হৈ পৰিছে তাই । মিনতি গৈ মাক আৰু অৰ্চনাৰ ওচৰ পালে । তেওঁক দেখিয়েই মানুহজনীৰ দুৰ্বল দেহটো ঠিক যেন এবাৰ লৰচৰ কৰিলে । হয়তো উঠিবৰ চেষ্টাত । কিন্তু নাই । মানুহজনী চিৰদিনৰ বাবে শুই পৰিল । অৰ্চনাই বহুপৰ মাকক মাতি মাতি কান্দি থাকিল । তাই হয়তো তেতিয়া একো নুবুজিলে । সৌ তেতিয়াই মিনতিয়ে অৰ্চনাক নিজৰ ঘৰলৈ লৈ আহিল ।

আজি কেইবছৰমান হ'ল মিনতিৰ 'পোষ্টটো ৰেগুলাৰ' হ'ল । সিহতঁৰ সৰু পৰিয়ালটোৱে যেন অলপ সকাহ পালে । প্ৰণৱো এতিয়া ডাঙৰ হ'ল । সি এইবাৰ কলেজ পালে ।

নদীৰ সোতঁত দাঁতি কাষৰীয়া দ অঞ্চলবোৰ বালিৰে পৰিপূৰ্ণ হোৱাৰ দৰে, সময়ৰ সোঁতত অৰ্চনাৰো দুখৰ ডোঙাত ক্ৰমাৎ বালি চাপৰি পৰিল । অৰ্চনা এতিয়া গাভৰু হ'ল । যোল্লটা বসন্ত উতনুৱা বতাহে তৰুণ কৰিলে তাইৰ দেহ মন । যৌৱনৰ বলিয়া বানে উটুৱাই নিলে তাইৰ মনৰ লাজ শংকাবোৰ বহুলাংশে । এইবাৰ তাই মেট্ৰিক পাচ কৰিলে । তাইৰ মনৰ পৰিধিও বহু বিস্তৃত হ'ল । আধুনিক ঠাচঁত লিখা প্ৰেমৰ কবিতাবোৰ তাই খুব ভাল পোৱা হ'ল। বিশেষকৈ প্ৰণৱৰ কবিতাবোৰ !

অৰ্চনাৰ জোৰতেই হওঁক বা আনকিবা কাৰণতেই সেইবাৰ প্ৰণৱে মহাবিদ্যালয় পত্ৰিকাত এটি কবিতা প্ৰকাশ কৰিলে । ঠিক সেই কবিতাটোৱে যেন প্ৰণৱৰ জীৱনৰ দিশেই সলনি কৰিলে । মহাবিদ্যালয়ৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়েই পৰিচয় হ'ল প্ৰনৱৰ । প্ৰণৱৰ কবিতা পঢ়ি বাৰুকৈয়ে অভিভূত হৈ পৰিল নিবেদিতা ।

'নিবেদিতা' প্ৰণৱহতঁৰ মহাবিদ্যালয়ৰে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ এজনী ছোৱালীৰ নাম । সুন্দৰী নিবেদিতাৰ মুখৰ ভাষাও সহজে যাকে তাকে মুহিব পৰা ধৰণৰ । গতিকে প্ৰণৱো তাইৰ প্ৰসংশাত সহজেই অভিভূত হৈ পৰিল । বিচাৰি পালে প্ৰেৰণাৰ এক সুন্দৰ উৎস । সিহতঁৰ ঘনিষ্ঠতা ক্ৰমাৎ পৰিবৰ্ত্তিত হ'ল প্ৰেমৰূপে ।

নিবেদিতাই কবিতা খুবেই ভাল পায়, তাতকৈ ভাল পায় কবি । তাই কবি হ'ব বিচাৰে তাই প্ৰনৱক প্ৰায়েই তাইৰ মনৰ কথা কয় । প্ৰণৱেও পাৰ্যমানে কবি আৰু কবিতা সম্পৰ্কীয় কথাবোৰ তাইক শিকায় । ডাঙৰ ডাঙৰ কবিৰ কবিতা পুথিবোৰ পঢ়িব দিয়ে। কিন্তু প্ৰণৱৰ অশেষ চেষ্টাতো নিবেদিতাই নোৱাৰিলে; প্ৰণৱৰ মন ভাঙি গ'ল । কিন্তু





নিবেদিতাই তাইৰ মন নাভাঙিলে ।

নিবেদিতাই বাচি ললে কবি হোৱাৰ এক বিকল্প পথ । বিষাক্ত সাপক মন্ত্ৰেৰে মুগ্ধ কৰি লোৱাৰ দৰে, তাইৰ প্ৰেমৰ দৃঢ় জালেৰে বন্দী কৰি ললে প্ৰণৱক । প্ৰণৱেও মন্ত্ৰ-মুগ্ধৰ দৰে তাৰ কবিতাবোৰ নিবেদিতাৰ নামত প্ৰকাশ কৰিব ধৰিলে । মহাবিদ্যালয়ত প্ৰণৱৰ স্থান নিবেদিতাই দখল কৰি ললে । নিবেদিতায়ো তাইৰ মৰমৰ কৃপণালি নকৰিলে প্ৰণৱলৈ আৰু এদিন প্ৰণৱৰ বাবেই লাভ কৰিলে বৰ্ষশ্ৰেষ্ঠ কবি পুৰষ্কাৰ ।

সেইদিনা কিন্তু নিবেদিতা প্ৰণৱৰ ওচৰলৈ এবাৰো নাহিল । প্ৰণৱ স্তম্ভিত হ'ল এবাৰলৈ । নিবেদিতা এতিয়া প্ৰতিষ্ঠিত হ'ল কবি হিচাপে । পাহৰি গ'ল উচ্চতাত উপনীত হোৱাৰ সেই জখলাডাল । প্ৰণৱে নিজেই লগ কৰাৰ চেষ্টা কৰিলে, কিন্তু নাই । নিবেদিতাই আৰু কাহানিও লগ নিদিলে প্ৰণৱক ।

তাৰমানে............... নিবেদিতাই................. । নাই নাই............ ই হ'ব নোৱাৰে । প্ৰণৱ মৰ্মাহিত হৈ পৰিল। মাঘৰ বিহুত ল'ৰাহঁতে বহুদিনীয়া যত্নৰে সঁজা মেজিটো ক্ষন্তেকতে পুৰি শেষ হোৱাৰ দৰে, প্ৰণৱৰ মনৰ মাজত ইমানদিনে থকা আশা ভৰষাবোৰ নিমিষতে ছাৰ-খাৰ হ'ল । নিবেদিতাই কিন্তু এইবোৰ লৈ অকণো মন নিদিলে । বৰঞ্চ তাই বাচি ললে আন এক জীৱন সংগী, যিজনে তাইৰ প্ৰতিষ্ঠিত সত্বাক সুৰক্ষিত আৰু আৰামেৰে ৰাখিব পাৰিব । এৰা ! নাৰী সদায় ............. নাৰীয়েই !!

লাহে লাহে প্ৰণৱে সকলো বুজি পালে । কিন্তু ইমান দিনে তাৰ বহুদেৰি হৈ গ'ল । সি হেৰুৱাই পেলালে তাৰ সমস্ত সাফল্য । জীৱনটোক লৈ অতিষ্ঠ হৈ পৰিল সি । প্ৰবেশ কৰিলে এখন নষ্ট সমাজত । পাহৰি গ'ল তাৰ মাক আৰু অৰ্চনাজনীলৈ । এতিয়া সুৰাৰ ৰাগীয়েই হৈ পৰিল তাৰ একমাত্ৰ সংগী ।

প্ৰণৱৰ তেনে এক অৱস্থা দেখি মাক আৰু অৰ্চনা বাৰুকৈয়ে চিন্তাত পৰিল । অৰ্চনাই বহুদিনৰ পৰাই প্ৰণৱৰ কবিতা পঢ়া নাই । একে ধৰণৰ কবিতা অ'ত ত'ত দুই এটা পঢ়িছে যদিও লিখক কোন চোৱা নাই । তাইতো জনা নাই প্ৰণৱৰ কবিতাবোৰে যে মালিকী স্বৰ্ত হেৰুৱাই পেলাইছে । অৰ্চনাই আগৰ দৰে প্ৰণৱক কথাবোৰ সুধিব নোৱাৰা হ'ল । তাৰ ব্যৱহাৰত বহু পৰিবৰ্তন আহি পৰিল । তথাপিতো তাই চেষ্টাৰ ক্ৰুটি কৰা নাই।

আজি তিনিদিনৰ মূৰত প্ৰণৱ ঘৰলৈ আহিছে । কিন্তু আজি দেখোন সি আহিয়েই বিছনাত পৰিছে । অৰ্চনা বৰ চিন্তাত পৰিল । তাতে আজি প্ৰণৱৰ মাকো ঘৰত নাই । যোৱা দুদিন ধৰি মানুহজনী পুতেকৰ সন্ধানত সকলোবোৰ আলহীৰ ঘৰে ঘৰে ফুৰিছে ।

অৰ্চনাই ভয়ে ভয়ে প্ৰণৱৰ ৰুমত সোমাল । উচপ খাই উঠিল তাই । এয়া কি ....... । প্ৰণৱে দেখোন বিছনাত পৰি সেহাই সেহাই কিবা কিবি কৈ আছে । তাই ওচৰলৈ গৈ প্ৰণৱৰ কপালত হাত দি চালে ।

নিবেদিতা............... তই............. মোক..................... ।

প্ৰণৱৰ মূৰত তেতিয়া ভীষণ জ্বৰ । কি কৰিব এতিয়া তাই । প্ৰণৱৰ মাক জনী থকা হলেও । ওচৰৰ মানুহক মতাৰ সময়ো পাৰ হৈছে তেতিয়া । হয়তো মানুহবোৰ টোপনিত পৰিছে ।

অৰ্চনাই প্ৰণৱৰ মূৰত পানী দি বিছি দিলে । তাই বাৰে বাৰে ভগাৱানক প্ৰাৰ্থনা জনালে ।

অৰ্চনাৰ মিনতিত ভগৱান যেন তুষ্ট হ'ল । প্ৰণৱৰ জ্বৰ কিছু কমিল । তাৰ টোপনি আহিল । অৰ্চনাই তাক আৰু নজগালে । তাইৰ অকলে প্ৰণৱক এৰি যাবৰ মন নগ'ল । ইফালে সি জ্বৰত কোৱা কথাবোৰ বাৰে বাৰে তাইৰ

মনলৈ আহিব ধৰিলে। তাই প্ৰণৱৰ ওচৰত ভাগৰুৱা দেহতো ক্ষন্তেকলৈ বুলি থলে । কিন্তু তাইৰ ক্ষন্তেকতে টোপ আহিল ।

বোৱাৰী পুৱাতেই প্ৰণৱ সাৰ পালে । তেতিয়া তাৰ জ্বৰ ভালেখিনি কমিল । চকু মেলিয়েই সি অৰ্চনাক থকা দেখি স্তম্ভিত হ'ল । তাৰ মানে অৰ্চনাই ........... । ৰাতিৰ ভীষণ জ্বৰৰ কথা তাৰ মনত পৰিল ।

সি সকলো গম পালে । মনটো ক্ষন্তেকলৈ সেমেকি উঠিল । অৰ্চনালৈ একেথৰে চাই ৰ'ল । অৰ্চনালৈ ৰৰ মৰম লাগি গ'ল । যাক সি ইমানদিনে উপেক্ষা কৰি আহিছে সেই অৰ্চনাই...................... ।

তাৰ মানে অৰ্চনাই এতিয়া কবিতাবোৰ বুজি পোৱা হ'ল । সি অৰ্চনাক তৎক্ষণাত এটি প্ৰেমৰ কবিতাৰ অনুভৱ কৰিলে । তাৰ অৰ্চনাক এটি কবিতা লিখি দিবৰ মন গ'ল । কিমান দিন যে তাই প্ৰণৱৰ কবিতা পঢ়া নাই । নাই ! সি নোৱাৰে । কবিতাৰ ভাষা, ভাববোৰ তাৰ কিবা ঠগ প্ৰবঞ্চনাৰ দৰে লগা হ'ল।

প্ৰণৱে আৰু কবিতা নিলিখে। সি এটা সুন্দৰ গল্প লিখিব। তাৰ সমস্ত ঘটনাৰাজি বিৱৰি সি এটা লিখিব। আন নহলেও অৰ্চনাৰ শূন্য হৃদয়ত অকণমান মৰম দিবৰ বাবে সি লিখিব।

এইবোৰ ভাবি অৰ্চনাৰ মুখৰ ফালে একে থৰে চাই চাই প্ৰণৱ ব্যাকুল হৈ পৰিল। অৰ্চনাজনীলৈ মৰম উ পৰিল প্ৰণৱৰ মনত। সি তাইৰ কপালত এটি তপত চুমা আঁকি দিব বিচাৰিলে। মুখখন অকণমান আগুৱাই অৰ্চ মুখৰ ওপৰ পালে। হঠাৎ অৰ্চনা সাৰ পাই গ'ল। প্ৰণৱ যেন ধৰা পৰি গ'ল তাইৰ চকুত। তাই প্ৰণৱৰ ফালে চাই ৰ অৰ্চনাক আজি সি বেচ জ্ঞানী যেন দেখিলে। তাই যেন অবুজ নহয়, অথবা যৌৱনৰ বানত উতলা আন দহজনীৰ দা নহয়। বেচ সুন্দৰ আৰু ভাবুক যেন লাগিল তাইক।

এক লাজুক লাজুক শান্ত পৰিবেশে কোঠাটো ভৰুণ কৰি তুলিলে। ওচৰৰ ঘৰত কুকুৰাটোৱে তেতিয়া চতুৰ ডাক দিলে, যেন সি সকলোবোৰ দেখিলে। ◆

*"মাতৃৰ মৰম পৃথিৱীৰ উদাৰতা আৰু আকাশৰ বিশালতাৰে মানুহক বুজিবলৈ চেষ্টা কৰা, দেখিবা সকলো ভেদ ভাব নোহোৱা হৈ গৈছে।"*

*— স্বামী বিবেকানন্দ*

# অপেক্ষা

ইশ্বটিকাৰে হুছেইন
স্নাতক ৩য় বৰ্ষ



তেতিয়া ৰীমাৰ ঘড়ীত ন বাজিছিল। লগে লগে তাই বেগটো লৈ স্কুললৈ যাবলৈ সাজু হ'ল। তাই দশম শ্ৰেণীৰ ছাত্ৰী আছিল। লগৰ ছোৱালী ৰিতিকা, ৰুমী আৰু কৃষ্ণা সিহঁত তিনিও ৰীমাহঁতৰ ঘৰৰ পদূলি মুখ পোৱাত তাইও সিহঁতৰ লগতে স্কুললৈ বুলি ৰাওনা হ'ল। সিহঁত এক কিলোমিটাৰমান গৈছেহে হঠাৎ কোনোবা এজনক দেখি ৰীমা থমকি ৰ'ল। তাই চকুৰে ভুল দেখা নাইতো? ল'ৰাজনৰ মুখলৈ চাই ৰীমাই নিজকে নিজে প্ৰশ্ন কৰিলে। তাইৰ ল'ৰাজনক হঠাতে ভাল লাগি গ'ল ।

স্কুল ছুটী হোৱাৰ পিছত ঘৰলৈ উভটি আহি ৰীমাই সেইদিনাখন পঢ়াৰ টেবুলত মনটো বহুৱাব নোৱাৰিলে। বাৰে বাৰে তাইৰ মনলৈ আহে যিজনক তাই সেইদিনাখন স্কুললৈ যাওঁতে দেখিছিল পিছদিনাখন ৰীমাই ৰিতিকাৰ সৈতে ন বজাত স্কুললৈ ওলাই আহিল। বাটত ৰীমাই ৰিতিকাক তাইৰ মনৰ সকলো কথা কৈ গ'ল। ৰিতিকা হ'ল ৰীমাৰ সৰু কালৰে বান্ধৱী। তায়ো আচৰিত হ'ল কথাবোৰ শুনি। তাই ভালদৰে জানে যে ৰীমাই আচলতে কোনো ল'ৰাকে পাত্তা নিদিয়ে। অথচ তাই আজি এইজন ল'ৰাক ? ৰীমাৰ কথাবোৰ শুনি ৰিতিকা সঁচাকৈয়ে আচৰিত হ'ল আৰু লগে লগে ৰীমাক প্ৰতিশ্ৰুতি দিলে যে ৰীমাৰ কামটোত কৃতকাৰ্য্য হোৱাত তাই সহায় কৰিব।

এদিন ৰিতিকাই তাইৰ বন্ধু হিৰেণৰ আগত ৰীমাৰ কথাবোৰ বিৱৰি কলে আৰু ল'ৰাজনৰ বিষয়েও কলে। হিৰেণে ল'ৰাজনৰ বিৱৰণ শুনি, সি তাক ভালকৈ চিনি পালে। সি ধৰিব পাৰিছে যে ল'ৰাজন নিশ্চয় ৰুবুলেই হব। কাৰণ সেইদিনাখন সি বায়েকৰ ঘৰৰ পৰা আহি আছিল। ৰুবুল দশম শ্ৰেণীত পঢ়ে। সি শ্ৰেণীটোৰ ভিতৰতে প্ৰথম আছিল। য'ত ৰুবুল আৰু তাৰ ৰিজাল্টক লৈ স্কুলৰ সন্মানো নিহিত হৈ আছে। যদি ভাল ৰিজাল্ট কৰে তেনেহ'লে স্কুলৰ ভাল নাম হব। অৱশ্যে ভাল ৰিজাল্ট কৰিব নোৱাৰিব বুলি স্কুলৰ বিজ্ঞানৰ শিক্ষকজনে প্ৰায়ে সকীয়াই থাকে, যাতে সি পঢ়াত অবহেলা নকৰে ।

হিৰেণে তাৰ বান্ধৱী ৰিতিকাক আশ্বাস দিলে যে সি তাইৰ বান্ধৱীৰ কামটো যেনেতেনে কৰিব। যদিহে ৰীমাই তাৰ লগত বন্ধুত্ব কৰে। পিছদিনাখন ৰিতিকাই ৰীমাক সকলো বিৱৰি কোৱাত তাই মান্তি হ'ল হিৰেণৰ লগত

বন্ধুত্ব কৰিবলৈ। কিন্তু তাইৰ ঘৰৰ মানুহে ল'ৰাৰ লগত সম্পৰ্ক কৰাটো নিবিচাৰে। তথাপিও তাই ৰুবুলৰ বাবে ঘৰ অজ্ঞাতে হিৰেণৰ লগত বন্ধুত্ব কৰিলে। এনেকৈয়ে হিৰেণ আৰু ৰীমাৰ মাজত বন্ধুত্ব চলি থাকিল। এদিন তাই হিৰেণ হাতত ৰুবুললৈ এখন চিঠি পঠিয়াই দিলে কিন্তু চিঠিৰ প্ৰকৃত গৰাকীজনে চিঠিখন পঢ়িব নাপালে কাৰণ এই চিঠিখ পঢ়াৰ পাছত হয়তো ৰুবুলৰ মনটো সলনি হৈ যাব পাৰে আৰু ফলস্বৰূপে যদি ৰুবুলৰ ৰিজাল্ট বেয়া হয় তেন্তে ........ চিঠিখন সি ৰাখি থলে।

শীতকালৰ আগমনৰ পিছতে হয়তো ইংৰাজী নৱবৰ্ষৰ আগমন হয়। নৱবৰ্ষৰ আগমনৰ লগে লগে ৰীমাই ৰুবুলৰ বাবে দুখন শুভেচ্ছাপত্ৰ পঠিয়াই দিলে হিৰেণৰ হাতত। অৱশ্যে সেইবাৰ ৰুবুলে কাৰ্ড দুখন পালে আৰু ৰীমাৰ বাবে ৰুবুলে এখন সুন্দৰকৈ ইংৰাজীতে চিঠি লিখি দি পঠালে। চিঠিত সি তাইক ভাল পাবলৈ চেষ্টা কৰিব বুলি লিখিছে। চিঠি পাই ৰীমা আনন্দতে মতলীয়া হৈ পৰিছিল।

এনেকৈ সিহঁতে H.S.L.C. পৰীক্ষা দিলে। পৰীক্ষাত সিহঁতে প্ৰায়ে ইজনে সিজনক লগ পাই যদি মুখেৰে মাতবোল হোৱা নাছিল। সিহঁতে কথা পাতিছিল মাথোন চাৰি চকুৰ ভাষাৰে। পৰীক্ষাৰ শেষৰ দিনা ৰীমাই ৰুবুলক লগ ধৰি তাইৰ মনৰ কথা কোৱাত সি এইদৰে কলে -' মই তোমাক এতিয়া বান্ধৱী বুলিহে ভাবিছো। H.S পাছ কৰিহে মই তোমাক ......। বৰ্তমান আমাৰ সম্পৰ্কটো বন্ধুত্বৰ দৰে থাকক।' সেইটোৱেই best হব। ৰীমা তাৰ কথাত মান্তি হ'ল। তাইৰ হয়তো দৃঢ় বিশ্বাস আছিল তাৰ ওপৰত। এনেকৈ থাকোতে এদিন সিহঁতৰ ৰিজাল্ট ওলাল ৰুবুলে চাৰিটা বিষয়ত লেটাৰ নম্বৰ পাই ষ্টাৰ পালে আৰু তাই প্ৰথম বিভাগতহে উত্তীৰ্ণ হ'ল। ৰুবুলে যোৰহাট ইঞ্জিনিয়াৰি কলেজত নাম ভৰ্ত্তি কৰিলে।

ৰীমাই এদিন ৰাতিপুৱাৰে পৰা বাৰে বাৰে ভাবি আছিল যে তাইলৈ কাৰোবাৰ পৰা নিশ্চয় চিঠি আহিব কিন্তু কাৰ পৰা আহিব ? ৰুমীৰ পৰানে নে কৃষ্ণাৰ পৰা ? ৰাতিপুৱা গা-পা ধুই উঠি আগফালৰ বাৰাণ্ডাত মাহীয়েক কেচুঁবাটোৰ সৈতে থিয় হৈ থাকোতে দূৰৈৰ পৰা পিয়নজন অহা দেখিয়েই তাই দৌৰি গৈ পিয়নজনৰ পৰা চিঠিখন লৈ আহিল। চিঠিখনৰ ওপৰত লিখা আছিল ৰুবুলৰ পৰা ৰীমালৈ। নাই ৰুমীৰ পৰাও নাহিল, কৃষ্ণাৰ পৰাও নাহিল খামটো খুলি তাই দেখিলে যে ভিতৰত এটা ৰঙা মৰহি যোৱা গোলাপৰ ক'লি আৰু এখন সুন্দৰ হাতৰ আখৰৰ চিঠি হঠাৎ তাইৰ মনত পৰিল স্কুলীয়া দিন বোৰলৈ। বহুতৰ পৰাই তাই বন্ধুত্বৰ প্ৰস্তাৱ পাইছিল। কিন্তু এজনৰ পৰাই তাই বেলেগ ধৰণে প্ৰস্তাৱ পাইছিল সেইজন আছিল ৰুবুল।

সেইদিনাখন দুপৰীয়া বৰদেউতাকৰ ছোৱালী ৰূপা সিহঁতৰ ঘৰলৈ অহাৰ কাৰণে তাইৰ আৰু ৰুবুল চিঠিখন পঢ়া নহ'ল। তাই ভাবিলে পিছত পঢ়িম। আবেলি ৰূপাৰ লগত বজাৰলৈ যাবলগীয়া হোৱাত তাইৰ বগা চুৰিদা যোৰ পিন্ধি ওলাল। তাই বজাৰৰ পৰা আহি চিঠিখন পঢ়ি চালে। নাই এইবাৰ বন্ধুত্বৰ সলনি প্ৰেমৰ প্ৰস্তাৱহে। তাই ভাবিলে উত্তৰটো পজিটিভ দি দিও। তাইৰ যেন আজিকালি ৰুবুলক খুউব ভাল লগা হৈছে। প্ৰায়ে তাৰ ধুনীয়া মুখখনে ৰীমাক আমনি কৰে।

ৰাতিপুৱা শুই উঠি তাই চিঠিখনৰ কথাকে চিন্তা কৰি আছিল। হাতত কাগজ কলমলৈ ৰুবুললৈ চিঠি লিখি ওলাল। চিঠিখন লিখা হোৱাৰ পিছত বাগিছাৰ পৰা গোলাপ এটা আনিবলৈ গৈ তাই দেখা পালে Paper দি মানুহজনে বাৰাণ্ডাত Paper দুখন থৈ গৈছে। তাই গোলাপটো হাতত লৈ Paper দুখন লৈ ৰুমৰ ভিতৰলৈ আহিল পেপাৰ এখনত চকু দিওঁতেই; এইয়া কি ? কি লিখিছে পেপাৰত ? পেপাৰত ভুল লিখিছে কিজানি ? নাই হবই নোৱাৰে বুলি তাই হতভম্ব হ'ল। পেপাৰখনত লিখা আছিল - 'শিক্ষিত যুৱক ৰুবুল বৰাক আততায়ীয়ে গুলিয়াই হত্যা কৰিলে মানে মোৰ ৰুবুলক সিহঁতে মাৰিলে। আমাৰ প্ৰেমক ভগৱানে নিঠৰুৱা কৰিহে এৰিলে। এয়াই জানো মোৰ প্ৰেম





তাই পাগলীৰ দৰে কথাবোৰ বলকিব ধৰিলে। অৱশেষত ৰুবুলে পঠোৱা গোলাপৰ ক'লিটো হাতত লৈ তাই কেচুঁৱাৰ দৰে কান্দি পেলালে। কিন্তু পিছতহে জানিব পাৰিলে যে আততায়ীৰ গুলীত নিহত হোৱা যুবকজন আচলতে তাইৰ ৰুবুল নহয়। অন্য এজন ৰুবুলহে।

এনেকৈয়ে বহুদিন বহুবছৰ গ'ল। এদিন ৰীমাই M.A. পৰীক্ষাত ইংৰাজী বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম হৈ পাচ কৰিলে। গতিকে তাইৰ মনত অসীম আনন্দ। ৰিজাল্টৰ বাতৰি সকলোৱে News Paper ত পালে। তাই ঘৰলৈ আহোঁতে হঠাৎ সিদিনা ৰুবুল আৰু কৃষ্ণাক লগ পালে। তাই চকুৰে ভুল দেখা নাইতো ? ৰুবুল সঁচাকৈয়ে জীৱিত আছেনে ? কৃষ্ণা বিয়া হৈছে নেকি ৰুবুলৰ লগত! নাই হবই নোৱাৰে । সি মোক প্ৰতিশ্ৰুতি দিছিল ............ ইত্যাদি অনেক প্ৰশ্নই তাইৰ মনটোক ব্যতিব্যস্ত কৰিবলৈ ধৰিলে।'ৰীমা, তুমি ইয়াত! এখেতক চিনি পাইছানে ? মোৰ পত্নী কৃষ্ণা। আমাৰ যোৱা বাৰ মাৰ্চত বিয়া হৈ গ'ল। তোমাক বিয়ালৈ মাতিম বুলি ভাবিছিলো কিন্তু তুমি বেয়া পোৱা বুলি নামাতিলো।' ৰুবুলৰ মুখৰ পৰা এইদৰে শুনি ৰিমাৰ অচেতন অৱস্থা হৈ পৰিছিল। মুখেৰে একো নামাতি সিহঁতৰ ওচৰৰ পৰা আঁতৰি আহিল। " সি মোক প্ৰতাৰণা কৰিলে।" ৰীমাই নিজকে কৈ কৈ পাগলীৰ দৰে হৈ পৰিল। কিন্তু সেই মুহূৰ্ততে ৰুবুলে তাইক পিছফালৰ পৰা মাতি কলে - ' ঐ আইজনী আহচোন আহ, এইবোৰ মই মিছাতে কৈছো।' ৰীমাৰ দৃঢ় বিশ্বাস আছিল যে এদিন তাইৰ বাবে ৰুবুল আহিবই। তাৰ পাছতো তাই ৰুবুলৰ বাবে বহুদিন অপেক্ষা কৰিয়েই থাকিল।

ৰীমাই ৰিজাল্টৰ পাছত এখন কলেজত Lecturer হিচাপে চাকৰিত সোমাল। ঘৰৰ মানুহে তাইৰ বিয়াৰ কথা চিন্তা কৰিছিল। তাই কিন্তু একেবাৰে বিয়া নহওঁ বুলি কোৱাত ঘৰৰ মানুহ আচৰিত হৈছিল। ৰীমাই আশা কৰিছিল তাই কপালৰ দীঘলকৈ লবলগীয়া ৰঙা ফোঁটটো কেৱল ৰুবুলৰ বাবে লব পাৰিব। তাই একমাত্ৰ ৰুবুলৰহে।

সময় বাগৰিল; ৰুবুল কিন্তু ৰীমাৰ জীৱনলৈ নাহিল। তাই তথাপি অসীম আগ্ৰহৰে ৰুবুললৈ বাট চাই থাকিল। ৰুবুলে তাইক প্ৰতিশ্ৰুতি দিছিল; সি এদিন আহিবই। কিন্তু সি আৰু নাহিল। ৰীমা আৰু ৰুবুলৰ মিলন হবলৈ আৰু বা কিমান দিন বাকী! ◆

"আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত অসমক মৰিবলৈ নিদিওঁ অসমীয়াক জীন যাবলৈ নিদিওঁ - অসমীয়া সংস্কৃতি লুপ্ত হবলৈ নিদিওঁ। অসমৰ বুকুত বৈচিত্ৰৰ মাজত ঐক্যৰ দোলোৱে গাঁঠি দুনাই শক্তিশালী অসমীয়া জাতি গঢ়া শক্তিমান ন- অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন- অসমীয়া সংস্কৃতি কৰো।"

- বিষ্ণু প্ৰসাদ ৰাভা

# সন্ধান

ভাৰ্গৱ হাজৰিক
স্নাতক ২য় ব

বহুত চেষ্টা কৰিও জীৱনে মনত পেলাব পৰা নাই তাৰ মাক দেউতাকক, নিজৰ ঘৰখনক। সি সদায় চেষ্ট কৰিও একো সুফল নাপায়। কোনো মতেও তাৰ মনত নপৰে সিনো আচলতে কোন আছিল। সি তাৰ মালিকক সুধিলেও পায় কেৱল দাবি-ধমকিহে। কেতিয়াবা মাক-দেউতাকৰ কথা ভাবি তাৰ মন ব্যাকুল হৈ পৰে। মাক-দেউতাকক বিচাৰি উলিয়াবলৈ তাৰ হাতত ঠিকনাও নাই আৰু সময়ো নাই। দিনৰ দিনটো ভিক্ষা বিচাৰি ফুৰি সন্ধিয়াহে ঘূৰি আহে তাৰ সেই নৰক সদৃশ কোঠালৈ য'ত তাৰ লগত থাকে বহু কেইজন সহকৰ্মী। সিহঁত সকলোৱে কাম একে, দিনটো ভিক্ষা মাগি যি পায় সকলোবোৰ সন্ধিয়া মালিকৰ হাতত জমা দিয়া। তাৰ বিনিময়ত পায় পুৰা আৰু গধূলি দুসাজ ভাত সিহঁতে সেই কাম বাদ দি আতঁৰি আহিবও নোৱাৰে। তেনে কৰিলে সিহঁতৰ জীৱন বস্তিয়েই নুমাই যাব। তাৰ প্ৰমাণ সিহঁতে আগতে বহুবাৰ পাইছে।

জীৱনৰ সোঁতৰটি বসন্ত গৰকা জীৱনে যেতিয়া সমবয়সীয়া ল'ৰাবোৰে খেলি থকা দেখে তেতিয়া তাৰো খেলিবলৈ মন যায়। কিন্তু সি সেই কথা ভাবিবহে পাৰে। মালিকৰ নিষ্ঠুৰ হাতোৰাই ইতিমধ্যে তাক পঙ্গু কৰি পেলাইছে। এদিনাখন জীৱনে ভিক্ষা বিচাৰি এখন দূৰণিবটীয়া গাওঁৰ মানুহৰ এঘৰত সোমালগৈ। গৃহস্থই তাক চাউল এমুঠি দি সুধিলে—

ঃ "তোমাৰ নাম কি?"

ঃ "জীৱন, জীৱনে কলে।"

ঃ "ঘৰ ক'ত?"

ঃ "নাজানো।"

ঃ "ক'ত থাকা?"

ঃ "মালিকৰ ঘৰত।"

ঃ "মালিক কোন?"

ঃ "নামটো নাজানো।"

ঃ "তোমাৰ ভৰিখন কেনেকৈ......?"

ঃ "মালিকে কাটি পেলাইছে।"

ঃ "কিয়?" (আচৰিত হৈ)

ঃ "নাজানো।"

ঃ " বাৰু তোমাৰ মালিকৰ ঘৰ ক'ত?"

ঃ "মালিক সদায় একে ঠাইতে নাথাকে। আচল ঘৰ ক'ত নাজানো।"





জীৱনৰ কথা শুনি গৃহস্থ সদানন্দ শইকীয়াই এক বুজাব নোৱাৰা দুখ অনুভৱ কৰিলে। তেওঁৰ মনত পৰিল বাৰ বছৰ আগতে ঘটা সেই ঘটনাটোলৈ।

সিদিনা আছিল কাতি মাহৰ বুধবাৰ। অষ্টমী তিথি। চাৰিওফালে দুৰ্গা পূজাৰ বতাহ বলিছে। সদানন্দ শইকীয়াৰ পাঁচ বছৰীয়া সন্তান মুন্নাইও দেউতাকক খাটনি ধৰিছে পূজা দেখুৱাবলৈ। সন্ধিয়া পৰত শইকীয়াই পত্নী মিতালীৰ লগতে মুন্নাক লৈ গৈছিল পূজা দেখুৱাবলৈ। পূজা থলিত বাট নোপোৱা ভীৰ। ভীৰৰ মাজেৰে আগুৱাই গৈ তেওঁলোকে দুৰ্গা দেৱীক প্ৰণাম জনাই আশীৰ্বাদ ললে। তাৰ পিছত তেওঁলোক আগুৱাই গ'ল এখন মিঠাই দোকানৰ ফালে পূজাৰ মিঠাই কিনিবলৈ। মিঠাই কিনাৰ পিছত পূজা থলিৰ পৰা ওলাই আহিব খোজোতেই শইকীয়াই লগ পালে বহু দিনৰ পুৰণি বন্ধু ৰমাকান্ত কাকতিক। শইকীয়াই পত্নী মিতালী আৰু পুত্ৰ মুন্নাৰ লগত কাকতিক চিনাকী কৰাই দি ইটো-সিটো কথা পতাত লাগিল। কথা প্ৰসঙ্গত বহু কথাই ওলাল। কাকতি এতিয়া অঞ্চলটোৰ এজন অতি ধনী আৰু প্ৰভাৱশালী ব্যক্তি। ডাঙৰ ব্যৱসায় আছে তেওঁৰ। চহৰৰ মাজ মজিয়াত দুখন বিলাসী হোটেল আছে। তাৰোপৰি আছে অন্যান্য বহুতো ৰমৰমীয়া ব্যৱসায়। কাকতিয়ে নিজৰ ব্যৱসায় আৰু ধনী হোৱা কৌশল সদানন্দ শইকীয়াৰ সন্মুখত বৰ গৌৰৱেৰে কলে- " বুজিছে শইকীয়া, প্ৰথমতে কামবোৰ কৰোতে অলপ অসুবিধা হৈছিল। বহুতে সন্দেহো কৰিছিল। কিন্তু পিছত সকলো ঠিক হৈ গ'ল। কেৱল দুজন মান 'বৰমূৰীয়া' ক হাত কৰি ললেই হ'ল। বেছি নালাগে মাত্ৰ বিশ পচিশ পাৰ্চেন্ট হলে হৈ যায়।" কাকতিৰ কথা শুনি শইকীয়াই বহু ভাবিলে যদিও একো নকলে। ইতিমধ্যে বহু দেৰি হোৱাত কাকতিৰ পৰা বিদায় লৈ পত্নী আৰু মুন্নাক লৈ ঘৰলৈ বুলি খোজ দিছিলহে মাত্ৰ। হঠাৎ এক বোমাবিস্ফোৰণে চৌদিশ কপাই তুলিলে। চাৰিওফালে হুলস্থূল লাগিল। মানুহবোৰে ভয়তে যেনি-তেনি পলাবলৈ ধৰিলে। ইতিমধ্যে মানুহবোৰৰ দৌৰা-দৌৰি চিঞৰত ভয় খাই মুন্নাই কান্দিবলৈ ধৰাত শইকীয়াই তাক কোলাত তুলি ল'ব খুজিলে। কিন্তু তাৰ আগেয়ে মুখত ক'লা কাপোৰ বন্ধা ডেকা ল'ৰা এজনে মুন্নাক লৈ মানুহৰ মাজে মাজে দৌৰিবলৈ ধৰিলে। শইকীয়াইও পিছে পিছে গৈছিল যদিও ভীৰৰ মাজেৰে তেওঁ বেছি আগবাঢ়িব নোৱাৰিলে। মানুহ এজনৰ খুন্দাত কোনোমতেহে তেওঁ বাগৰি নপৰাকৈ ৰ'ল। বিফল হৈ শইকীয়াই ঘূৰি আহিল পত্নীৰ ওচৰলৈ। কিন্তু এয়া কি? মিতালি ক'ত? এইখিনিতে নাছিল জানো? ইফালে সিফালে চালে যদিও শইকীয়াই পত্নীক বিচাৰি নাপালে। তেনেহলে মিতালীকো কোনোবাই ............? হঠাৎ তেওঁৰ মূৰটো আচন্দাই কৰিবলৈ ধৰিলে আৰু লগে লগে মাটিত বাগৰি পৰিল। তাৰ পিছত তেওঁ নিজকে আবিষ্কাৰ কৰিলে হস্পিতালৰ বিছনাত। কাষত কেইজন মান শুভাকাংশী আৰু বন্ধু-বান্ধৱ। শইকীয়াই বলিয়াৰ দৰে সকলোকে মুন্না আৰু মিতালীৰ খবৰ সুধিলে। কিন্তু কোনেও একো ক'ব নোৱাৰিলে। পিছত বহুতো বিচাৰ-খোচাৰ কৰিও যেতিয়া মিতালী আৰু মুন্নাৰ কোনো খবৰ নাপালে তেতিয়া সকলো আশা বাদ দিলে।

ঃ দাদা আহোঁ— জীৱনে মাত লগালে। জীৱনৰ মাততহে সদানন্দ শইকীয়াই সম্বিৎ ঘূৰাই পালে।

ঃ যোৱা— শইকীয়াই ক'লে। তেওঁ ভাবিলে মুন্না আৰু মিতালী বাৰু ক'ত আছে? নে সিহঁতেও জীৱনৰ দৰে ক'ৰবাত ............? নাই, শইকীয়াই আৰু ভাবিব নোৱাৰিলে। তেওঁ আকৌ এবাৰ জীৱনৰ ফালে চালে। সি ইতিমধ্যে বহুদূৰ পালেগৈ। ◆

# মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বৃন্দ ঃ ২০০০-২০০১ বৰ্ষ



**বহি বাওঁফালৰ পৰা ঃ** অধ্যাপক চক্ৰপাণি বড়া এম. এ, এম. ফিল, অধ্যাপক জয়ন্ত কুমাৰ হাজৰিকা এম. এ( ডাবোল), আধ্যাপিকা মোহিনী গোস্বামী এম. এ, বি. টি, এম. ফিল, এল. এল. বি, অধ্যাপক ইমৰান হুছেইন এম. এ, অধ্যাপক দ্বিজেন্দ্ৰ তালুকদাৰ এম. এ, এম. ফিল, অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ এম. এ, উপাধ্যক্ষ বিদ্যাৰাম নাথ এম. এ, অধ্যাপক কনক চন্দ্ৰ ডেকা এম. এ, অধ্যাপক তীৰ্থ নাথ শৰ্মা এম. এচ. চি, অধ্যাপক দেবব্ৰত বৰদলৈ এম. এ ।

**থিয়হৈ বাওঁফালৰ পৰা ১ম শাৰী ঃ** অধ্যাপক মুকুল কুমাৰ চহৰীয়া এম. এ, বি. এড্, এম. ফিল, গজেন্দ্ৰ নাথ চহৰীয়া বি. এ(নিঃ বঃ সঃ), অধ্যাপক শৈলেন্দ্ৰ চহৰীয়া এম. এ, বি. এড্, অধ্যাপক অনন্ত বৰুৱা এম. এ, অধ্যাপক ড° ৰাম চন্দ্ৰ ডেকা এম. এ, অধ্যাপিকা দ্বীপান্বিতা চহৰীয়া এম. এ, অধ্যাপিকা মনিকা ডেকা এম. এ, বি. এড্, অধ্যাপিকা গুলতাজ বেগম এম. এ, অধ্যাপিকা প্ৰভা দেৱী এম. এ, এম. ফিল, অধ্যাপিকা ড° তন্দ্ৰালী চৌধুৰী এম. এ, বি. টি, এম. ফিল, অধ্যাপিকা মালিনী নায়াৰ এম. এ, বি. এড্, ড° দিবাকৰ দাস এম. এ( ডাবোল), অধ্যাপক প্ৰসন্ন কুমাৰ নাথ এম. এ, এম. ফিল, অধ্যাপক ইমৰান হুছেইন এম. এ( জেষ্ঠ্য), অধ্যাপক মহেন্দ্ৰ কটকী এম. এ(ডাবোল), এম. ফিল, বি. টি, অধ্যাপক দুলেন নাথ এম. এ, অধ্যাপক আব্দুছ ছাদাম এম. এচ. চি, মুনীন কুমাৰ চহৰীয়া বি. এচ. চি(নিঃ বঃ সঃ), গৌতম কুমাৰ বৰুৱা বি. এ(নিঃ বঃ সঃ), টঙ্কেশ্বৰ ডেকা বি. এ(নিঃ বঃ সঃ)।

**থিয়হৈ বাওঁফালৰ পৰা ২য় শাৰী ঃ** নবীন বড়া( চকীদাৰ), মহেন্দ্ৰ শৰ্মা (পিয়ন), অধ্যাপক মদন মোহন নাথ এম. এ, বি. এড্, এম. ফিল, এল. এল. বি, মণীন্দ্ৰ বড়া(চকীদাৰ), কমিৰাম শইকীয়া(চকীদাৰ), ৰেৱকান্ত ডেকা(পুথিভঁড়াল সহায়ক), অধ্যাপক তিলক ডেকা এম. এ, অধ্যাপক তৰুণ শৰ্মা এম. এ, মুছা জামান বি. এ(নিঃ বঃ সঃ), গোলাপ চন্দ্ৰ নাথ বি. এ(উঃ বঃ সঃ)।

## ঃ তত্বাবধায়কসহ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০০০-২০০১ বৰ্ষ ঃ



**বহি বাওঁফালৰ পৰা ঃ** অধ্যাপক মুকুল কুমাৰ চহৰীয়া (তত্বাবধায়ক, আলোচনী বিভাগ) অধ্যাপক শৈলেন্দ্ৰ চহৰীয়া (তত্বাবধায়ক, সাংস্কৃতিক বিভাগ),অধ্যাপক প্ৰসন্ন কুমাৰ নাথ (কাৰ্যকৰী সভাপতি, ছাত্ৰ একতা সভা), অধ্যাপক জয়ন্ত হাজৰিকা (তত্বাবধায়ক, তৰ্ক বিভাগ), মাননীয় শ্ৰীৰেৱণ চন্দ্ৰ নাথ (অধ্যক্ষ তথা সভাপতি, ছাত্ৰ একতা সভা), অধ্যাপিকা মালিনী নায়াৰ আৰু অধ্যাপক মহেন্দ্ৰ কটকী (তত্বাবধায়ক, খেল বিভাগ), অধ্যাপক অনন্ত বৰুৱা (তত্বাবধায়ক, সমাজ সেৱা বিভাগ) ।

**থিয়হৈ বাওঁফালৰ পৰা ঃ** বিনোদ চহৰীয়া (সাধাৰণ সম্পাদক), মৃদুল শৰ্মা (সম্পাদক, আলোচনী বিভাগ), বিজু ফুকন বৰুৱা (সহঃ সাধাৰণ সম্পাদক), ৰূপম হাজৰিকা (সম্পাদক, তৰ্ক বিভাগ), মুনমুন শইকীয়া (সম্পাদক, সমাজ সেৱা বিভাগ), মহেন্দ্ৰ ডেকা (সহঃ সম্পাদক, খেল বিভাগ), ফনীন্দ্ৰ ভড়ালী (উপ-সভাপতি), লক্ষ্যধৰ ডেকা (সম্পাদক, খেল বিভাগ)।

## ঃ২০০০-২০০১ বৰ্ষৰ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি ঃ



**বহি বাওঁফালৰ পৰা ঃ** অধ্যাপক দুলেন্দ্ৰ নাথ (সদস্য), অধ্যাপক মহেন্দ্ৰ কটকী (সদস্য), অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ (সভাপতি), অধ্যাপক মুকুল কুমাৰ চহৰীয়া (তত্বাবধায়ক)

**থিয়হৈ বাওঁফালৰ পৰা ঃ** শৈলেন্দ্ৰ নাথ (সদস্য), শৰৎ চন্দ্ৰ শৰ্মা (সদস্য), বিতপী কলিতা (সদস্যা), মৃদুল শৰ্মা (সম্পাদক), ৰাজু বৰুৱা (সদস্য)



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত কৰ্মৰত গ্ৰন্থাগাৰিকা শ্ৰীজয়মতী বৰুৱা আৰু সহায়ক শ্ৰীৰেৱকান্ত ডেকা

## ঃ মহাবিদ্যালয়ৰ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ ঃ



## ঃ শ্ৰেষ্ঠ নাট্য দল ঃ



থিয়হৈ বাওঁফালৰ পৰা ঃ মহেন্দ্ৰ ডেকা, অচ্যুৎ কৃষ্ণ ডেকা, দ্বিজেন কুমাৰ ডেকা (শ্ৰেষ্ঠ পৰিচালক), বিনোদ কুমাৰ ডেকা।
বহি বাওঁফালৰ পৰা ঃ ডিংকুমণি হাজৰিকা, বাসৱ চন্দ্ৰ ডেকা।



দিপ্তী বৰুৱা
শ্ৰেষ্ঠা গায়িকা



ভূপেন নাথ
শ্ৰেষ্ঠ খেলুৱৈ



ববিতা ভূঞা
শ্ৰেষ্ঠ খেলুৱৈ



## স্বাগতম

জিতেন বৰুৱা (জিতু)
স্নাতক ৩ য় বৰ্ষ



হে কাৰ্গিলৰ বিজয়ী সেনানী
বাধ্যভূমিৰ শ্বহীদ তুমি
তুষাৰৰ মাজে মাজে
মৰণৰ চেঁৰে চেঁৰে

তোমালোক হ'লা অমৰ,
ৰাখিলা নাম যুগমীয়া এই দেশৰ
উদ্ধৱ, জিন্টু
তোমালোকৰ কেঁচা তেজেৰে জ্বলালা শলিতা
ভাৰত চাঁকিৰ।
যৌৱনৰ আগলি বেলাত
নিজকে যাঁচিলা দেশৰ সেৱাত
ধন্য, ধন্য পিতৃৰ শ্বহীদ পুত্ৰ
কিনো দিম আমি
যাঁচিলো স্বাগতম
লবা শ্ৰদ্ধাঞ্জলী।
সুখেৰে থাকিবা সৰগত
আকৌ নামি আহিবা মৰতলৈ
যুগে যুগে দিবা কেঁচা তেজ
আমিয়ে আঁদৰিম
উজ্বলি থাকিবা আমাৰ মানস পটত
অবিৰাম চিৰদিন।

## বীৰ জোৱান

পৰেশ ভূঞা
স্নাতক ১ ম বৰ্ষ

ঘোৰ শত্ৰু দুঃশাসনৰ বুকুফালি
ভাৰত মাতৃৰ মেলি থোৱা
চুলিটাৰিত
তেজ দিব লাগে;
আজি সেই বৃকোদৰ
সৃষ্টি হ'বৰ হ'ল।
আজি কেউফালে
হিৰোচিমা নাগাচাকিৰ
ধ্বংস যজ্ঞ।
জাগা, জাগা হে বীৰ জোৱান
জাগাহে বীৰ জননী ভাৰত মাতাৰ সন্তান,
তহঁতৰ হিয়াৰ সুপ্ত আগ্নেয়গিৰি
আজি জগাই দে;
তহঁতৰ বাহুৰ অসীম বল
দেখুৱাই দে
দেখুৱাই দে
আজি যে তহঁত নহয় হীন
কোনো দিশতে।

# মোক এতিয়া লাগে মৃত্যু

বিতপী কলিতা
উঃ মাঃ ২য় বৰ্ষ



আজি কিছু দিনৰ পৰা
এটা নিৰ্দিষ্ট সংবাদৰ সন্ধানত
প্ৰতিদিনে পুৱাই
বৰ আগ্ৰহেৰে লুটিয়াও
কাকতৰ প্ৰতিটো পৃষ্ঠা
পিচে মোৰেই দুৰ্ভাগ্য,
মই বিচৰা সংবাদটো
কোনোখন কাকততে নাপাওঁ।
তাৰ পিছতে আৰম্ভ হয় হতাশা
কেতিয়াবা ড্ৰাগচ্‌ৰ চিৰিঞ্জ,
কেতিয়াবা
ৰেলৰ আলিত
তেনেদৰেই পাৰ হয় এটা দিন
আৰম্ভ হয় হতাশাৰ আৰু
এদিন।
কাৰণ সপোন বিভোৰ
মোৰ শান্তিকামী ভাৱনাই
এতিয়া ঐকান্তিকতাৰে
বিচাৰে।
মোৰ মৃত্যু সংবাদ
ভাৱনাৰ শান্তিৰ স্বাৰ্থতে
ময়ো বিচাৰো এতিয়া মোৰ
মৃত্যু সংবাদ।।

# মানুহৰ কবিতা

কৰুণা শৰ্মা
স্নাতক ১য় বৰ্ষ

মোৰ কলমটোৱে উলাহেৰে
মোৰ হাতত
হাঁহি - হাঁহি দি যাব প্ৰতিশ্ৰুতিৰ ভাষা।
হেজাৰ সপোন ৰঙীন কৰাৰ
অসীম স্পৃহা,
চেনেহৰ কঠিয়াতলীত
সপোনৰ বীজ সিঁচি
উদ্বিগ্ন মই !
কতবাৰ সাজো
হেঁপাহৰ ঘৰ
উঠিব খোজা সময়ৰ সতে
মানুহৰ বাবে, মানুহৰ বাবে।





# বৈ আছো মই

মুনিন্দ্ৰ শৰ্মা
স্নাতক ২য় বৰ্ষ

কাৰ নো বাতৰি পাই
বৈ আছো মই বাট চাই
মধুৰ লগণত কাৰ লগতনো
মনৰ আশা পূৰাব
মোৰ কাষত বহি জানো কোনোবাই
প্ৰদীপ মিশ্ৰিত আশাৰে
অন্তিম জীৱনৰ চাঁকি গছিত
অশ্ৰু - অঞ্জলি ঢালিব!

সেয়ে, অনামিকা
আজি মই তোমাৰ পৰা বিচাৰিছো
এটি মধুৰ দিনৰ বাস্তৱ কথা।
কোৱা ———
কাৰণো বাতৰি পাই
বৈ আছো মই বাট চাই?
বিচৰা নাই (মই) তোমাৰ
সপোনৰ ৰঙীন স্মৃতি
বিচাৰিছো মাথো বাস্তৱ জীৱনৰ
দুওঁঠ কপোৰা সুখেৰে ভৰা হাঁহি।
আৰু
মোৰ কাষত বহি
অশ্ৰু - অঞ্জলি দিব পৰা
কোমল অন্তৰ খনি।

# তুমি

মিৰা বেগম
স্নাতক ২ য় বৰ্ষ

তোমাৰ হিয়াৰ আভৰণ হয়তো মই
কাহানিবা পাহৰি যাম,
তুমি হয়তো তাক চাই নীৰৱ হৈ ৰবা
আন্ধাৰ আতঁৰাই তুমি পোহৰ বিলাবা।
আকাশৰ ধূসৰ মেঘ তুমি শ্যামল কৰিবা,
সেউজী ধৰাত তুমি শান্তি ছটিয়াবা।
সাগৰৰ পাৰত হেঙুলী সূৰুয
তোমাৰ বাবে আছে বৈ তাত
জগত পোহৰ কৰা তুমি তাত
যুগমীয়া হৈ।
তোমাৰ চিনাকী সুৰ হয়তো কেতিয়াবা
মই পাহৰি যাম,
তথাপি তুমি জগতত শান্তিৰ সুৰ বিলাবা।।

## স্মৃতি

ইমৰাণ হুছেইন
প্ৰবক্তা, ৰাজনীতি বিভাগ

শীতৰ
জোনাক স্নাত মায়াবী নিশাৰ দৰে
তুমি বিয়পি থাকা
মোৰ
নিদ্ৰাবিহীন দুচকুত
কুঁৱলীবোৰ
সেয়ে থুপ খাই নিয়ৰ হয়।

## অনুভৱ

ৰাজু কুমাৰ বৰুৱা
স্নাতক ২য় বৰ্ষ

সময়ে কথা কয়
সপোন হৈ স্মৃতিবোৰ ভাঁহে।
যৌৱনৰ উত্তাল তৰঙ্গত
দিশহাৰা, তুমি
আৰু
মই
এটি কবিতা
শব্দবিহীন ..................



## শান্তি

শৈলেন্দ্ৰ শৰ্মা
স্নাতক ২ য় বৰ্ষ

এয়া গণতন্ত্ৰ
নে শোষণ তন্ত্ৰ।
য'ত নিপীড়িতৰ বুকুত
অবাধে চলে
দানৱৰ তীক্ষ্ণ অস্ত্ৰ।
কাৰাৰুদ্ধ।
সমাধিৰ খিড়ীকিত
কান্দে লাচিতৰ বন্দী আত্মাই
বিচাৰে চিৰ শান্তি
লাগে মানৱ মুক্তি
আনিম অৰ্জ্জুনৰ ৰথ
সাৰথি কৃষ্ণ,
গণতন্ত্ৰ উজাৰি
জিলিকিব তীক্ষ্ণ অস্ত্ৰ
মুক্তিৰ বাবে দ্বিতীয় কুৰুক্ষেত্ৰ
লাগে আমাক শান্তি
লাগে মানৱ মুক্তি।







## স্তিমিত আলোক



জ্যোতিষ কুমাৰ নাথ
স্নাতক ২য় বৰ্ষ

তেজে গৰকা পুৰতিৰ সেউজ ৰঙী
স্বপ্নত শীতৰ সন্ধিয়াই উচৰ্গা কৰা
পূৰ্ণিমাৰ নিশাই
এতিয়া কঢ়িয়াই নানে —
আকাশৰ বিশালতাই দিয়া
গগণ চুম্বী কল্পনা,
লুইতৰ পাৰৰ ডেকা- গাভৰুৰ প্ৰাণোচ্ছল
হাঁহিৰ খিল-খিলনি
চফল প্ৰেমৰ হেঙুলীয়া আভা,
আৰু
জীৱন উচৰ্গা কৰা সীমাহীন
প্ৰেৰণা,
কাৰণ
সময় এতিয়া অতিকৈ নিষ্ঠুৰ,
নিস্তব্ধ ভয়াবহতাই উপহাৰ দিয়ে
আঁউসী নিশাৰ ঘন এন্ধাৰ
বিভীষিকাৰ কৰাল গ্ৰাসত
বিস্ফোৰিত হয়
আইৰ যুগমীয়া মমতা,
কৃত্ৰিমতাৰ চক্ৰত স্তিমিত হয়
মানৱতাৰ আলোক,
শত বাল্মিকীৰ সহস্ৰ আশা
যিদৰে মাটিৰ শীতলতাই
জীপাল কৰে,
সৰা শেৱালিৰ কেঁচা বেদনা
ভাগৰুৱা খোজে মহতিয়াই তেজৰ চেকুঁৰা।

## তুমি

ধৰিত্ৰী দেৱী
উঃ মাঃ ১ম বৰ্ষ

আহিছিলা তুমি মোৰ কাষলৈ
এদিন
সপোনৰ ধুমুহা হৈ
গুছি গলা আজি কিয় তুমি
ৰচিছিলোঁ তোমাক লৈ মই
বহুতো মধুৰ সপোন
কিয় জানো তুমি হলা
আজি ইমান নিষ্ঠুৰ
আহিবা জানো তুমি
আকৌ
মোৰ হৃদয়লৈ
পাৰিবা জানো
হেৰোৱা সপোন তুমি
ঘূৰাই আনিবলৈ।

# পখী

মুনমুন শইকীয়া
উঃ মাঃ ২য় বৰ্ষ

মোৰ হৃদয়ৰ বন্ধ কপাট
কৰিছিলা পখী তুমি মুকলি
হেঙুলীয়া ৰঙেৰে উদ্ভাসিত
ফাগুনৰ এদিন আবেলি।

তোমাৰ সঁচা মৰমক
সংগোপনে আকোঁৱালী লৈছিলো,
মোৰেই সেউজীয়া মন সাগৰত।

কিন্তু, তুমি কি কৰিলা পখী?
মোৰ মন সাগৰৰ পৰা কিয়,
কাঢ়ি নিলা মোৰ প্ৰেমৰ নদী।

বাৰে বাৰে আমনি কৰে
তোমাৰ সতে কটোৱা সেই,
ৰঙা, নীলা, সেউজীয়া স্মৃতিবোৰে।
নোৱাৰো থাকিব তোমাৰ অবিহনে,
আহিবানে আকৌ মোৰ জীৱনলৈ?

মৰমী পখী আহিবা তুমি
সঁচা প্ৰেমৰ শলিতা জ্বলাই
হিয়া উজাৰি তোমাকেই দিম,
মৰম বোৰ বিলাই।।

# অতীত

দিগন্ত শৰ্মা
স্নাতক ১ম বৰ্ষ



পৰিছে মনত মোৰ
সৌ তাহানিৰ কথা
হৃদয়ত বোৱা
মৌ সনা আলসুৱা ভাষা
কেঁচা কলিজাৰ তপ্ত শোণিত
কাৰ কপালত অঁকা
পূৰ্ণিমাৰ পূৰ্ণ জোন
নীল আকাশত থকা
তিৰ্বিৰ্ তিৰ্বিৰ্
অৰুণ উদয়
উৎফুল্লিত জীৱনৰ
সোণালী সময়।
কত ধুমুহা বজ্ৰপাত
সকলো নেওচি
ব্ৰতী হৈ সাধনাত
দিঠক উজ্বলি।
ফুলিল মালতি ফুল
বকুল কেতেকী
আন্ধাৰ আতৰি গ'ল
হাঁহিলো মিছিকি
আৰু আজি
প্ৰবল ধুমুহাৰ সোঁতে
উৰুৱালে বহু দূৰণিলৈ
তথাপি হিয়াতে ৰাখিছো
সাবটি লৈ যুগ-যুগান্তৰ
এয়া মোৰ পটন্তৰ।





# সহাঁৰি

কণিকা কোঁৱৰ
স্নাতক ১ম বৰ্ষ

স্নিগ্ধ পুৱতী নিশা
বকুল ফুলৰ দুবাৰদলিত
বহি গাঁঠিছিলো এধাৰি
বকুল ফুলৰ মালা
তোমাকে দিবলৈ বুলি।।

বহু দিন বহু ৰাতি
তোমাৰ বাবে আছো বৈ
সৌ উচ্চ আকাশলৈ চাই
তোমাৰ কথাকে ভাবি
থাকো উজাগৰে ৰাতি।।

আশা ভৰা হৃদয়েৰে
গাঁঠি থোৱা মালাধাৰী
আলফুলে যতনাই থৈছো
বুকুত বান্ধি।।

# মানৱ জীৱন

নিবেদিতা ডেকা
উঃ মাঃ ১ম বৰ্ষ

মানৱ জীৱন কিহৰ কাৰণে
অলপো নাপাও বুজি
ক'ৰ পৰা আহি
কেনি যাব খোজে
লক্ষ্যহীন ভাৱে গুছি
এদিন নহয়, দুদিন নহয়
দৈনিক আহিছে জীৱ
এজন ঈশ্বৰে খেলৰ অন্তত
পুনৰ ওভতাই নিব
মিছা ধন - জন আশাৰ সপোন
মিছাই আপোন পৰ
কালৰ গতিত ধৰাৰ বুকুত
ধংস হব অহংকাৰ
হেৰা সমনীয়া জীৱ খন্তেকীয়া
সৎ পথ বিচাৰি লোৱা
অধৰমক ত্যাগি যশস্যা বঢ়াই
মানৱী জীৱন গঢ়া।

# চিনাকী চৰাইৰ গীত

যুগল কিশোৰ বড়া
স্নাতক ১ম বৰ্ষ

সৌ সিদিনা স্মৃতিৰ দুবৰি-দলিচাত
ঠিয় হৈ থকা ওখ সুগন্ধি গছজোপাত
চিনাকী চৰাই জাকক দেখিলো।
মোৰ ভগ্ন পঁজাৰ খিড়িকীখন তেতিয়া
বন্ধ হোৱা নাছিল।
নিয়ৰৰ টোপালৰ দৰে
ৰ'দত উজ্বল হৈ তিৰবিৰাই থকা;
যেন কিছুমান মুকুতাৰ মণি
চৰাই জাকৰ চকুপানীবোৰ।

বকুল গছৰ পাতত দেখিলো
চৰাই জাকে এটি গীত জুৰিলে
পুৰণি অথচ চিনাকী গীত।
